School Leadership

বিদ্যালয়ৰ নেতৃত্ব

TESS India

# Leading partnerships: engaging with parents and the wider school community

## পিতৃ-মাতৃ আৰু বৃহত্তৰ ‘বিদ্যালয় পৰিজন’ক নেতৃত্বৰ অংশীদাৰকৰণ





Teacher Education through School-based Support in India
www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

CC BY SA
http://creativecommons.org/licenses/

The Open University
UKaid from the British people

এই স্কুল লিডাৰশ্বিপ অ' ই আৰ (মুক্ত শৈক্ষিক সম্পদ) হৈছে Tess Indiaৰ চল্লিটা গোটৰ অন্যতম, যাৰদ্বাৰা বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলে নিজৰ বুজাশক্তি আৰু দক্ষতাৰ বিকাশ ঘটাই শিক্ষণ আৰু শিকনৰো উন্নতি কৰিব পাৰে। এই গোটটোত অনুশীলন অতি প্ৰয়োজনীয় আৰু কৰ্মীবৃন্দ শিক্ষাৰ্থী তথা অন্যান্য সকলেও ইয়াত সহযোগ কৰিব। এইবোৰ ফলপ্ৰসু বিদ্যালয়ৰ সন্দৰ্ভত কৰা গৱেষণা আৰু পাঠ্যত্ৰ মিক অধ্যয়নৰ ওপৰত নিৰ্ভৰশীল।
নিৰ্দিষ্ট গোট অধ্যয়নৰ কোনো নিৰ্দেশনা নাই যদিও স্কুল লিডাৰশ্বিপে গোটেই বিষয়টো অধ্যয়ন তথা শিক্ষণ-শিকণৰ উপযুক্ত কাৰ্যব্যৱস্থাৰ যোগান ধৰে। আপোনালোকে গোটটো অধ্যয়নৰ বাবে বিশেষ বিষয়বস্তুৰ সহায় ল'ব পাৰে। নেচনেল কলেজ অৱ স্কুল লিডাৰশ্বিপৰ পাঠ্যত্ৰ মিক পৰিকাঠামোৰ সৈতে সংঘৱদ্ধ এই গোটটোৰ মূল দিশ হ'ল ঃ স্কুল লিডাৰশ্বিপত ইয়াৰ প্ৰভাৱ (ক) নিজা নিয়ন্ত্ৰণ আৰু বিকাশ, (খ) শিক্ষণ-শিকন পদ্ধতিৰ পৰিৱৰ্তন, (গ) অংশীদাৰিত্ব বৃদ্ধি। বাকীবোৰে কোনো বিশেষ গুৰুত্ব আৰোপ নকৰাকৈ নতুনত্বৰ সন্ধান কৰে।

এই গোটটো প্ৰধান শিক্ষকসকলে নিজা অধ্যয়ন অথবা শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। শিক্ষণ আঁচনিৰ অংশ হিচাপে ব্যৱহাৰ কৰিব পাৰে। আনহাতে তেওঁলোকে ব্যক্তিগত শিক্ষণ দিনলিপিৰ ব্যৱস্থা কৰি তাৰপৰা হোৱা অভিজ্ঞতা আনৰ সৈতে ভাগ বতৰা কৰি লাভান্বিত কৰিব পাৰে। ইয়াত ব্যৱহৃত স্কুল লিডাৰ বাক্যাংশই প্ৰধান শিক্ষক, অধ্যক্ষ, সহকাৰী শিক্ষক অথবা বিদ্যালয়ৰ নেতৃত্ব বহনকাৰীৰ দৰে দায়ৱদ্ধ ব্যক্তিক বুজাইছে।

### ***ভিডিঅ' সম্পদ Video resources***

*The* Tess Indiaৰ স্কুল লিডাৰশ্বিপে ভাৰতীয় বিদ্যালয়ৰ প্ৰধানসকলৰ বাৰ্তালাপৰ ভিডিঅ' কৰি সেইবোৰ বিদ্যালয়ৰ শিক্ষণ আৰু শিকণৰ পৰিৱৰ্তন তথা উন্নতিত অৰিহণা যোগাইছে। এই প্ৰচেষ্টাৰে তেওঁলোকে নিজৰ নিজৰ দক্ষতাৰ প্ৰমাণ কৰিবলৈ উৎসাহিত হ'ব। এইবোৰে শিক্ষকসকলক পাঠ্যপুথিৰ গোটভিত্তিক শিক্ষা প্ৰদানৰ বাবে উদগনি যোগাব, অৱশ্যে এইবোৰ ব্যৱহাৰ কৰাটো অপৰিহাৰ্য নহয়।
Tess Indiaৰ ৱেবচাইট http://www.tess-india.edu.inৰ পৰা ডাউনলোড কৰি অথবা অনলাইনতে এই ভিডিঅ'সমূহ প্ৰত্যক্ষ কৰিব পাৰি। নতুবা চিডি আৰু মেম'ৰী কাৰ্ডটো ভিডিঅ'সমূহ লৈ চাব পাৰি।
Tess India প্ৰকল্পৰ বিষয়ে
ছাত্ৰ-ছাত্ৰীৰ সহযোগিতা বৃদ্ধিৰ বাবে বিদ্যালয়ৰ কৰ্তৃত্বশীল ব্যক্তিৰ সমৰ্থনত মুক্ত শৈক্ষিক সম্পদ ব্যৱহাৰ কৰি শ্ৰেণীকোঠাত প্ৰাথমিক আৰু উচ্চ শাখাৰ শিক্ষকৰ অনুশীলনৰ অভ্যাসৰ উন্নতি ঘটোৱাটোৱেই Tess Indiaৰ লক্ষ্য।
ভাষা, বিজ্ঞান আৰু গণিতসহ বিদ্যালয়ৰ পাঠ্যপুথিৰ লগতে ৱল্লুপ্ত Tess India বিষয়ৰ মুক্ত শৈক্ষিক সম্পদসমূহ শিক্ষকক যোগান ধৰা হয়। তেওঁলোকে শিক্ষকসকলক এনে কাম কাজৰ সুবিধা প্ৰদান কৰিব যাতে আন শিক্ষকে একেটা বিষয় শিকাওতে ছাত্ৰ-ছাত্ৰীয়ে লাভ কৰা জ্ঞান তথা বোধশক্তি তুলনামুলকভাৱে উন্নত হ'ব।
Tess Indiaৰ সকলো মুক্ত শৈক্ষিক সম্পদ ভাৰতীয় তথা আন্তঃৰাষ্ট্ৰীয় লিখকৰ দ্বাৰা সামগ্ৰিকভাৱে লিখা, য'ত ভাৰতীয় পাঠ্যত্ৰম আৰু সূচীপত্ৰ অনলাইনত (http://www.tess-india.edu.in) উপলব্ধ। মুক্ত শৈক্ষিক সম্পদসমূহ বিভিন্ন পৰ্যায়ত উপলব্ধ আৰু প্ৰত্যেক অংশগ্ৰহণকাৰীৰ বাবে ই উপযুক্ত।

Tess India ইংলেণ্ড চৰকাৰৰ দ্বাৰা ব্যয়সম্বলিত আৰু ইংলেণ্ড মুক্ত বিশ্ববিদ্যালয়ৰ অধীনৰ।

*Version 2.0 SL19v1*
*Assam*

*Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/*
*TESS-India is led by The Open University UK and funded by UK aid from the UK government*

# এই গোটটোৰ বিষয়ে What this unit is about

এখন বিদ্যালয়ৰ নেতৃত্ব লোৱাটো এটা খুৱেই দায়িত্বপূৰ্ণ পদবী আৰু সময়ে সময়ে ই বৰ কঠিন হ'ব পাৰে। বৰ্তমান এই ক্ষেত্ৰত যথেষ্ট পৰিমাণে পৰিবৰ্তন হৈছে আৰু আপুনি প্ৰত্যক্ষ বা পৰোক্ষভাৱে যিয়েই নকৰক, ই বিদ্যালয়ত আপোনাৰ ছাত্ৰ-ছাত্ৰীক আৰু বিদ্যালয়ৰ আনকৰ্মী (staff) সকলক আৰু এটা বৃহত্তৰ লোক সমুদায়ক প্ৰভাৱিত কৰে। বিদ্যালয়ৰ যিসকল নেতৃস্থানীয় লোকে বিভিন্ন অংশীদাৰ (stakeholder) সকলৰ সৈতে সম্বন্ধ গঢ়ি তোলাত গুৰুত্ব আৰোপ কৰে, তেওঁলোক বিভিন্ন ধৰণেৰে লাভবান হয়। আন আন বিদ্যালয় আৰু অনুষ্ঠানৰ সৈতে সহযোগিতামূলক ভাবে কাম কৰাৰ যে, অনেক সুবিধা আছে সেই বিষয়টো ৰাষ্ট্ৰীয় পাঠ্যক্ৰম ৰূপৰেখা (NCF2005) ত বিদ্যালয়ৰ গুণগত মানদণ্ড উন্নত কৰাৰ এটা অবিচ্ছেদ্য অংগ হিচাবে পৰিগণিত হৈছে। কাৰ্যকলাপ ভিত্তিক অংশ গ্ৰহণমূলক শিকনক প্ৰচাৰ আৰু বৃদ্ধি কৰিবলৈ এটা বৃহৎ পৰিসৰত সহযোগিতাক অধিক জোৰ দিয়া হৈছে।

এইদৰে, প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয়ৰ নেতৃত্ব লোৱা লোকসকলে সক্ৰিয়ভাৱে অংশীদাৰীৰ কাৰণে বিভিন্ন উপায়েৰে মজবুত, ব্যাপক সমুদায়ৰ সৈতে সহযোগিতামূলক সম্বন্ধ গঢ়িবলৈ যত্ন কৰিব লাগে। বিদ্যালয়ৰ এজন নেতা (leader) হিচাবে আপুনি অকলে কাম কৰাৰ প্ৰয়োজন নাই কাৰণ আপোনাক সমৰ্থন কৰিবলৈ বিদ্যালয় পৰিচালনা কমিটি (SMC), স্বেচ্ছাসেৱী সংগঠন, আন আন বিদ্যালয়সমূহ আৰু বিশেষকৈ সেই বিদ্যালয়সমূহত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাক-দেউতাক আৰু অভিভাৱকসকলে ব্যগ্ৰ হৈ আছে।

এটা সমুদায়ৰ প্ৰগতিৰ কাৰণে বিদ্যালয়ৰ এটা মহত্বপূৰ্ণ অৱদান থাকে আৰু বিদ্যালয়ৰ নেতা হিচাবে আপুনি কেৱল সমুদায়টোক (community) জানিলেই নহ'ব, তেওঁলোকৰ চাহিদা, আশা আৰু প্ৰত্যাশা সম্পৰ্কেও কিন্তু সজাগ থাকিব লাগে। এই কামটো কৰিবলৈ হ'লে আপুনি সকলো অংশীদাৰ (stakeholder) ক বিশেষকৈ পিতৃ-মাতৃ সকলক বিদ্যালয়লৈ মাতি আনি তেওঁলোকৰ ল'ৰা-ছোৱালীৰ শিক্ষাৰ ক্ষেত্ৰত তেওঁলোকক অংশীদাৰ হিচাবে ব্যৱহাৰ কৰি স্পষ্টকৈ বিদ্যালয়ৰ উদ্দেশ্য (ethos) আৰু আশা-আকাঙ্খাবোৰ জনোৱাটো দৰকাৰ।

এই গোটটোৰ জৰিয়তে আপোনাক বিভিন্ন অংশীদাৰীসকলৰ সৈতে দলবদ্ধভাৱে আৰু সক্ৰিয়ভাৱে ব্যস্ত থাকিবলৈ সহায় কৰা হৈছে যাতে আপুনি আপোনাৰ বিদ্যালয়ৰ সপোনক বাস্তৱত ৰূপায়িত কৰোঁতে তেওঁলোকৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে, সমৰ্থন আৰু উৎসাহ আদায় কৰিব পাৰে।

## শিকন লিপি (Learning Diary)

এই গোটটোত কাম কৰোতে আপোনাৰ চিন্তা-ভাৱনা আৰু পৰিকল্পনাবোৰ এঠাইৰ পৰা যাতে একে লগে সংগ্ৰহ কৰিব পাৰে, তাৰ কাৰণে লিখন লিপি শিকনত, এখন কিতাপত বা এটা ফল্ডাৰ (folder) ত আপোনাক কিছুমান টোকা প্ৰস্তুত কৰিবলৈ কোৱা হ'ব। সম্ভৱতঃ ইতিমধ্যে আপুনি এইবোৰ কৰিবলৈ আৰম্ভ কৰিছেই।

এই গোটটোত আপুনি হয়তো অকলেই কাম কৰি আছে কিন্তু যদি আপুনি বিদ্যালয়ৰ আন এজন নেতৃত্ব লোৱা লোকৰ সৈতে আপুনি শিকা কথাবোৰ আলোচনা কৰিব পাৰে, তেন্তে আপুনি বহুত বেছি শিকিব পাৰিব। সেইজন আপোনাৰ এজন সহকৰ্মীও হ'ব পাৰে যাৰ সৈতে আপুনি একেলগে বহুত কাম কৰিছে বা নতুনকৈ সম্বন্ধ গঢ়ি উঠা আন এজন লোকো হ'ব পাৰে। তাকে কৰোঁতে আপুনি শৃঙ্খলাবদ্ধ ভাৱে বা অনানুষ্ঠানিকভাৱেও আগবাঢ়িব পাৰে। আপোনাৰ লিখন লিপি শিকনত এই আলোচনাবোৰ টুকি ৰাখিব, কাৰণ এইবোৰে আপোনাক দীৰ্ঘম্যাদী শিক্ষা আৰু বিকাশত ম্যাপিং (mapping ) কৰিবলৈ সহায় কৰিব

## এই গোটটোত বিদ্যালয়ৰ নেতাগৰাকীয়ে কি শিকিব (What the school leader will learn about in this unit)

- আপোনাৰ ৰাজ্যত প্ৰমুখ অনুষ্ঠান (key institution) বোৰৰ সৈতে ফলপ্ৰসু বা প্ৰভাৱী সম্বন্ধ কেনেকৈ গঢ়ি তুলিব।
- আন বিদ্যালয় আৰু বে-চৰকাৰী সংস্থা সমূহৰ সৈতে সহযোগাত্মক অংশীদাৰী কেনেকৈ গঢ়ি তুলিব।
- জনকল্যাণমূলক সংস্থা, বিশেষকৈ বিদ্যালয় পৰিচালনা কমিটি (SMC) ৰ সৈতে কেনেকৈ ব্যস্ত থাকিব।
- পিতৃ-মাতৃৰ সৈতে দলবদ্ধ ভাবে কাম কৰি কেনেকৈ ছাত্ৰ-ছাত্ৰীৰ শিকনক উন্নতি কৰিব পাৰিব।

## 1. আপোনাৰ ৰাজ্যজুৰি সমন্বয়াত্মক কাৰ্য (1 Working collaboratively with your state)

ৰাষ্ট্ৰীয় পাঠ্যত্ৰ ম ৰূপৰেখা (NCF) 2005 আৰু শিক্ষাৰ অধিকাৰ আইন (RtE) 2009 য়ে ৰাজ্যৰ আৰু লগতে বিভিন্ন জিলা আৰু খণ্ড পৰ্যায়ৰ সংস্থাবোৰৰ ভূমিকাক বিকেন্দ্ৰীকৰণ কৰি আৰু স্পষ্টভাৱে পৰিষ্কাৰকৈ প্ৰচাৰ কৰি ভাৰতত স্কুল শিক্ষাৰ পৰিদৃশ্য (landscape) সলাই পেলাইছে। স্কুলপৰ্যায়ত RtE য়ে স্পষ্টভাৱে SMC ৰ ভূমিকা আৰু দায়িত্ব উল্লেখ কৰিছে। বেলেগ বেলেগ পৰ্যায়ৰ দায়িত্ব থাকিলেও কিন্তু, ৰাজ্যই বিদ্যালয়সমূহত তলত দিয়াবোৰ থাকিব লাগিব বুলি চৰ্ত আৰোপ কৰিছে ঃ—

- যদি প্ৰয়োজন হয়, ছাত্ৰ-ছাত্ৰীৰ অহা যোৱাৰ কাৰণে নিৰাপদ পৰিবহন ব্যৱস্থাৰ সুবিধা দিব লাগিব।
- ছাত্ৰ শিক্ষকৰ অনুপাত নিৰ্ধাৰণ কৰি ল'ব লাগিব।
- সকলোধৰণৰ বতৰৰ লগত খাপ খোৱাকৈ যথেষ্ট পৰিমাণৰ শ্ৰেণীকোঠাৰে সৈতে এটা স্কুলঘৰ আৰু পৃথকভাৱে ক্ষমা ব্যৱহাৰোপযোগী অনাময় (toilet)ব্যৱস্থা থাকিব লাগিব।
- চাৰিওফালে বেৰৰে আগুৰা এখন খেলপথাৰ আৰু লগত খেলৰ সা-সজুঁলি আৰু ৰান্ধনী ঘৰৰ চালিৰ সুবিধা থাকিব লাগিব।
- এটা পুথিভঁৰাল থাকিব লাগিব।
- সকলো ছাত্ৰ-ছাত্ৰীক সম ব্যৱহাৰ কৰা প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক।
- দেৰিকৈ নামভৰ্ত্তি কৰা সকলক বিশেষ ধৰণৰ প্ৰশিক্ষণ দিব লাগিব।
- শিক্ষণ-শিকন সামগ্ৰী যেনে— পাঠ্যপুথি, অনুশীলনপুথি, লাগতিয়াল কাগজ-কলম, স্কুলৰ সাজ-পোচাক আৰু মধ্যবিৰতিৰ আহাৰৰ সুবিধা থাকিব লাগিব।

ৰাজ্যৰ এই দায়িত্ববোৰ নিয়াৰিকৈ চলাই যাবলৈ বহুত ধৰণৰ ব্যৱস্থা আৰু যোজনা হাতত লোৱা হৈছে। উদাহৰণস্বৰূপে- প্ৰত্যেক প্ৰাথমিক বিদ্যালয়ৰ চাৰিওফালে ফেঞ্চিং দিবলৈ, 50,000 খালী থকা শিক্ষকৰ পদবোৰ পূৰাবলৈ, শিক্ষাগ্ৰহণ কৰিবলৈ অপাৰগ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষজ্ঞ সেৱাৰে সৈতে মোবাইল ভেনৰ ব্যৱস্থা কৰা বা ৰাজ্যজুৰি এটা বুনিয়াদী প্ৰযুক্তি প্ৰতিষ্ঠাৰ কাৰণে পৰিকল্পনা কৰা আদি ক'ত পালে?



চিত্ৰ 1. বিদ্যালয়ৰ এজন নেতাগ্ৰমুৰব্বী হিচাবে আপুনি ৰাজ্যৰ এই যোজনা আৰু পৰিকল্পনাবোৰৰ প্ৰতি সজাগ হোৱাৰ প্ৰয়োজন যাতে আপুনি এইবোৰ আপোনাৰ বিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীৰ উপকাৰৰ বাবে কেনেকৈ ব্যৱহাৰ কৰিব লাগে পৰিকল্পনা কৰিব পাৰে।

## ত্রি য়া-কলাপ 1. ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানৰ সাহাৰ্য ক'ত ব্যয় কৰিব ? ··Activity 1: dentifying where state revel institutions could help)

উদাহৰণস্বৰূপে ধৰক আপোনাৰ বিদ্যালয়ত অনাময় ব্যৱস্থা একেবাৰে সুবিধাজনক নহয়, বিদ্যালয়ৰ চাৰিওফালে থকা ফেঞ্চিং ভাঙি যাব পাৰে বা আপোনাৰ বিদ্যালয়ত শিক্ষকৰ অভাৱ ইত্যাদি দিশত আপোনাক ভালকৈ সহায় পোৱা নাই। আপোনাৰ বিদ্যালয়ত থকা এই অসুবিধাবোৰৰ চম্ভালিবলৈ ৰাজ্যিক ব্যৱস্থাপনাৰ পৰা এটা সন্তোষজনক সঁহাৰি পাবলৈ হ'লে আপুনি কি কি কৰিব ?

### আলোচনা (Discussion)

বিভিন্ন ৰাজ্য, জিলা আৰু মহকুমাৰ বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিসকলক সূচনা দি, তেওঁলোকৰ সৈতে একেলগে আলোচনা কৰি আৰু কাম কৰিব পাৰিলে অসাধাৰণ প্ৰত্যাহ্বান হ'ব। এখন বিদ্যালয়ৰ নেতা হিচাবে, প্ৰথম স্তৰত আপুনি আপোনাৰ বিদ্যালয়ৰ প্ৰয়োজনীয় বা লাগতিয়াল দিশবোৰৰ বিষয়ে বা ইতিমধ্যে বিদ্যালয়ৰ বিকাশৰ বাবে প্ৰস্তুত কৰা আঁচনি (বিদ্যালয় পৰিচালনা কমিটিৰ সৈতে একেলগে প্ৰস্তুত কৰা)খনত কি উল্লেখ কৰা আছে সেইবোৰৰ ওপৰত প্ৰতিফলন কৰিব লাগিব। আপুনি হয়তো ইতিমধ্যে সেইবোৰ কৰিছে।
বিভিন্ন দিশত ঘ্ক্ষেত্ৰত কৰিবলগীয়া হয়তো অনেক কামেই থাকিব পাৰে (বুনিয়াদী প্ৰয়োজনীয়তাৰ সুবিধা আদি (Infrastructure facilities) শিক্ষণ আৰু শিকন, উপস্থিতি, সমুদায়ৰ সৈতে সংযোগ আদি) আৰু আশা কৰা মতে ফল পাবলৈ নিশ্চিতভাৱে প্ৰয়োজনীয় সমলো সীমিত হ'ব পাৰে। আপোনাৰ লক্ষ্য আৰু উদ্দেশ্যত উপনীত হ'বলৈ হ'লে আপোনাক সহায় আৰু সমৰ্থন কৰিবলৈ আপুনি বিদ্যালয় পৰিচালনা কমিটিৰ সদস্যসকলৰ বা জনসমুদায়ৰ কোনোবা সমল ব্যক্তি বা নেতাৰো সহায় ল'ব পাৰে।
অন্যহাতে আপুনি আপোনাৰ ৰাজ্যই যুগুত কৰি উলিওৱা যোজনা আৰু প্ৰকল্পবোৰ বিচাৰি উলিয়াই সেইবোৰ অতি সাৱধানেৰে পৰীক্ষা কৰি চাব পাৰে। এইবোৰৰ প্ৰতি আপুনি সজাগ হোৱাটো খুৱেই দৰকাৰী, কাৰণ তেতিয়াহে আপুনি আপোনাৰ বিদ্যালয়ৰ কাৰণে সেই সমলবোৰ ল'ব পাৰিব আৰু ঘ্ সুযোগবোৰ গ্ৰহণ কৰিবলৈ ক'ব পাৰিব।

সেয়ে এখন বিদ্যালয়ৰ নেতা হিচাবে, বিদ্যালয়খনত শিক্ষাৰ গুণগত মান বৃদ্ধি কৰাত ৰাজ্যৰ বিভিন্ন অনুষ্ঠানবোৰে আপোনাক কেনেকৈ সহায় আৰু সমৰ্থন আগবঢ়াব পাৰে, সেই বিষয়ে নিজে নিজকে সোধক (বা জনাওক)। এই সকলোবোৰৰ বিষয়ে আপুনি জ্ঞাত হ'বলৈ হ'লে আপোনাৰ ৰাজ্যৰ বিভিন্ন সংস্থাবোৰৰ সৈতে প্ৰত্যক্ষভাৱে কাম কৰক আৰু সম্বন্ধ গঢ়ি তোলক।
আপোনাৰ ৰাজ্যৰ বিভিন্ন সংস্থাবোৰৰ সৈতে কাম কৰাৰ লগে লগে আপুনি অনুমান কৰিব যে কেৱল আপোনাৰ বিদ্যালয়ৰ কাৰণে তেওঁলোকৰ পৰা সমল (Resources) পোৱাটোৱেই নহয় ই আপোনাক প্ৰভাৱিত কৰিবলৈ, সমস্যা সমাধান কৰিবলৈ, বিদ্যালয়ৰ প্ৰমুখ কাৰ্যকলাপবোৰ বাস্তৱত ৰূপায়িত কৰাৰ বাবে পৰিকল্পনা কৰিবলৈ অগ্ৰগতিৰ পৰ্যবেক্ষণ কৰিবলৈ আৰু বিশেষকৈ সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে শিকে তাক নিশ্চিত কৰিবলৈ সুবিধা দিব। তলৰ বিষয় ভিত্তিক অধ্যয়নটোত আপুনি দেখিবলৈ পাব যে বিদ্যালয় আৰু ৰাজ্যৰ অনুষ্ঠানবোৰৰ মাজত দুই প্ৰকাৰৰ যোগাযোগ আৰু সম্বন্ধ আছে আৰু বিদ্যালয়ৰ এজন সত্রি য় নেতা হিচাবে আপুনি এই ক্ষেত্ৰত এজন সমল ব্যক্তি আৰু এজন লাভাৰ্থী (beneficiary) বা 'গ্ৰাহক' হয়।

## বিষয় অধ্যয়ন 1 ঃ শ্ৰীমতী মাধুৰী দীক্ষিতে, DIET ৰ সৈতে কাম কৰিছে (Case Study 1: Mrs Mistry works with the DIET)

12 বছৰৰো অধিক অভিজ্ঞতাৰে পৰিপূৰ্ণ এখন বিদ্যালয়ৰ নেতৃত্ব বহন কৰা শ্ৰীমতী মাধুৰী দীক্ষিতে সেই অঞ্চলৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ (**DIET**) ৰসৈতে এটা ভাল সম্পৰ্ক ৰাখি কাম কৰি আছে। তেওঁ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ অধ্যক্ষৰ সৈতে নিয়মিত ভাৱে যোগাযোগ ৰক্ষা কৰি থকাৰ বাবে অধ্যক্ষই তেওঁক নতুন শিক্ষণ পদ্ধতি আৰু ছাত্ৰ-ছাত্ৰীৰ শিক্ষনৰ বাবে প্ৰয়োজনীয় সমলবোৰৰ প্ৰতি সজাগ কৰি ৰাখিছে।
তেওঁৰ বিদ্যালয়ত শিক্ষক কম হোৱা হেতুকে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে অনুষ্ঠিত কৰা শিক্ষকৰ প্ৰশিক্ষণ কাৰ্যসূচীত শিক্ষকক যোগ দিবলৈ অনুমতি প্ৰদান কৰাত অসুবিধা হয়, কিন্তু তেওঁ শিক্ষিকৰ অবিৰত বৃত্তিগত বিকাশ (professional development) হোৱাটোও মনে প্ৰাণে বিচাৰে। সেয়ে, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সহযোগত তেওঁ নিজে বিদ্যালয়ত কেইবাটাও শ্ৰেণীত পঢ়াব লগা হয়। এই প্ৰতিষ্ঠানে তেওঁক মুক্ত শিক্ষা সমল কিছুমানৰ যোগান ধৰি আৰু তেওঁক সহায় কৰিব পৰা কেইবাটাও ৱেবচাইট (website) দেখুৱাই দি তেওঁৰ কামত সহায় কৰিছে।

আন এক ধৰণেৰেও শ্ৰীমতী মাধুৰীয়ে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সৈতে জড়িত হৈ আছে। জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানে অনুষ্ঠিত কৰা প্ৰশিক্ষণ কাৰ্যত্ৰ ম সমূহত তেওঁৰ বিদ্যালয়ে বিভিন্ন প্ৰসঙ্গত মুখামুখি হোৱা বিভিন্ন সমস্যাবোৰ দাঙি ধৰি, সেইবোৰ সমাধান কৰোঁতে পোৱা বাধাবোৰ আৰু সেই বাধাক অতিত্ৰ ম কৰি কেনেকৈ সমস্যাবোৰ সমাধান কৰিছে সেই অভিজ্ঞতাৰ বিষয়ে তেওঁ আন আন বিদ্যালয়ৰ সৈতে আলোচনা কৰি প্ৰশিক্ষণ কাৰ্যত্ৰ মত প্ৰভাৱিত কৰি তুলিছিল।

দেশত গুণগত শিক্ষাৰ ক্ষেত্ৰত বাঢ়ি অহা পৰিবৰ্তন আৰু নতুনত্ব দেখি জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শিক্ষক প্ৰশিক্ষণ কাৰ্যত্ৰ মবোৰৰ নক্সা, পৰিকল্পনা, কাৰ্যত ৰূপায়িত কৰা আদিত সমৰ্থন দিয়াটো অতিকৈ গুৰুত্বপূৰ্ণ বুলি তেওঁ ভাবে আৰু সেয়ে জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সৈতে সম্বন্ধটো 'দিয়া আৰু নিয়া' এই দুই ধৰণৰে হয়।

## ত্ৰি য়া-কলাপ 2: ৰাজ্যিক স্তৰৰ মূল প্ৰতিষ্ঠানৰ সৈতে আপোনাৰ যোগাযোগৰ ধৰণ আৰু বিস্তাৰৰ এক মূল্যায়ণ Activity 2: Evaluating the type and extent of your engagement with key state-level institutions

এই কাৰ্যৰ কাৰণে আপুনি সমল 1 ত উল্লেখ কৰা খালী তালিকাখন চাব লাগিব। তালিকা R1.1 ৰ বাওঁফালৰ স্তম্ভত বিদ্যালয়ৰ এজন নেতৃত্ব লোৱা মানুহ হিচাবে আপোনাৰ কামৰ লগত সঙ্গতি থকা ৰাজ্যৰ কিছুমান মুখ্য প্ৰতিষ্ঠানৰ নাম অন্তৰ্ভুক্ত কৰা হৈছে। প্ৰতিখন প্ৰতিষ্ঠানৰ সৈতে আপুনি কি ভাবে জড়িত হৈ আছে, সেই অনুযায়ী চাৰিটা স্তম্ভৰ যি কোনো এটাত চিহ্নিত কৰক। উদাহৰণস্বৰূপে আপোনাৰ জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান (DIET) বা ৰাজ্যিক শিক্ষা গবেষণা আৰু প্ৰশিক্ষন পৰিষদ (SCERT) ৰ তুলনাত মণ্ডল সমল সমন্বয়ক (CRC) আৰু গ্ৰবা খণ্ড সমল সমন্বয়ক (BRC) ৰ লগত বেছি যোগাযোগ সম্পৰ্ক থাকিব পাৰে।

এই সম্পৰ্কগ্ৰযোগাযোগ দুই ধৰণৰে হয় বা তাৰ সলনি এই তথ্যগ্ৰখবৰ (information) বোৰ তেওঁলোকৰ পৰা আপোনালৈ আহিছে নে অন্য প্ৰতিষ্ঠানৰ মাধ্যমেৰে আপুনি তেওঁলোকলৈ পঠাইছে ভাবি চাবচোন। আপুনি গম পাইছে যে কিছুমানৰ সৈতে আপোনাৰ একেবাৰে কম বা কোনো ধৰণৰ যোগাযোগ নাথাকে আনকি আপুনি তেওঁলোকৰ ভূমিকা বা দায়িত্বৰ বিষয়ে নিশ্চিত নহ'বও পাৰে। যদি আপুনি তেওঁলোকৰ সৈতে কিহৰ কাৰণে যোগাযোগগ্ৰসম্পৰ্ক ৰাখিছে (উদাহৰণস্বৰূপে- দুপৰীয়াৰ আহাৰ, তথ্য সংগ্ৰহ, তথ্য প্ৰদান, সামগ্ৰীৰ বিকাশ, প্ৰশিক্ষণ, শৈক্ষিক সহায়তা ইত্যাদি) ষষ্ঠ স্তম্ভত লিখক, তেন্তে সহায়ক হ'ব। তাৰ পিচত সেই প্ৰতিষ্ঠানৰ কোনগৰাকী মূল ব্যক্তিৰ সৈতে আপুনি সম্পৰ্কগ্ৰযোগাযোগ ৰক্ষা কৰিছে যদি তেওঁৰ নাম জানে তেওঁৰ নামটো টুকি ৰাখক। তেওঁ সেই প্ৰতিষ্ঠানৰ এজন জ্যেষ্ঠ ব্যক্তি নহ'বও পাৰে আৰু কেতিয়াবা আপুনি সম্পৰ্কগ্ৰযোগাযোগ ৰক্ষা কৰা ব্যক্তিজন আপোনাৰ এজন বন্ধু বা সম্বন্ধীয় হ'ব পাৰে বা আপোনাক এজন সঠিক ব্যক্তিৰ সৈতে লগ লগাই দিব পৰা আন এজন ব্যক্তিও হ'ব পাৰে।

### আলোচনা **(Discussion)**

এই কাৰ্যটোৰে আপুনি কাক জানে আৰু কাক নাজানে আৰু এই প্ৰত্ৰি য়াটোৰ কি পৰ্যায়ত আপোনাৰ নেট্‌ৱৰ্ক আটাইতকৈ শক্তিশালী, সেই বিষয়ে আপোনাক উপলব্ধি কৰাব পাৰে। ওপৰৰ তালিকাত থকা এনে কোনো আন প্ৰতিষ্ঠান আছে নেকি যাৰ সৈতে আপুনি সহযোগীতামূলক ভাৱে নেট্‌ৱৰ্ক নোহোৱাকৈ কাম কৰাটো অতি মহত্বপূৰ্ণ? গুৰুত্বপূৰ্ণ কথা যে, বৰ্তমান আপোনাৰ কি ধৰণৰ সহযোগীতা আৰু নেট্‌ৱৰ্কিং আছে আৰু বিদ্যালয়ৰ নেতৃত্ব বহন কৰা লোক হিচাবে আপুনি কি প্ৰমুখ ক্ষেত্ৰত কাম কৰিছে যাৰ কাৰণে আপুনি তেওঁলোকৰ লগত বা তেওঁলোকে আপোনাৰ লগত যোগাযোগগ্ৰসম্পৰ্ক ৰক্ষা কৰি আছে? যদি আপুনি ক'ত বা কেনেকৈ আৰম্ভ কৰিব লাগে নিশ্চিত নহয় তেন্তে এটা বৃত্তিগত (profesional) নেট্‌ৱৰ্ক গঢ় দিওঁতে আপুনি আন আন বিদ্যালয়ৰ নেতৃত্ব বহন কৰা লোকসকলৰ সহায় ল'ব পাৰে। এবাৰ এটা নেট্‌ৱৰ্ক গঢ়ি উঠাৰ পিছত, ইয়াক কেনেকৈ জীয়াই ৰাখিব তাৰ বাবে সিদ্ধান্ত লোৱাৰ আৰু পৰিকল্পনা কৰাৰ প্ৰয়োজন। দুই মুখীয়া যোগাযোগ (two way communication) ৰ ব্যৱস্থা বিকাশ কৰাৰ সম্ভাৱনীয়তা অন্তৰ্ভুক্ত কৰিব পাৰে (উদাহৰণস্বৰূপে- টেলিফোন, ই-মেইল, চিঠি, ব্যক্তিগতভাৱে বা অনলাইন চচিয়েল মিডিয়া চাইট যেনে- Linked In ব্যৱহাৰ কৰি)।

## 2. আন বিদ্যালয় আৰু বে-চৰকাৰী সংস্থাসমূহৰ সৈতে অংশীদাৰী (2 Partnerships with other schools and NGOs)

আপোনাৰ খণ্ড বা ৰাজ্যত থকা আন বিদ্যালয়সমূহ আপোনাৰ কাৰণে এটা গুৰুত্বপূৰ্ণ সমল, পৰামৰ্শ আৰু সমৰ্থনৰ উৎস। আপোনাৰ বিদ্যালয়ৰ আভ্যন্তৰীণ অভিযোগ (challenge) বোৰত মনোনিবেশ কৰাটো খুৱেই সহজ, কিন্তু মনত ৰাখিবলগীয়া কথা এইটোই যে সেইবিলাক বিদ্যালয়ৰো একেধৰণৰ কিছুমান আভ্যন্তৰীণ অভিযোগ থাকিব পাৰে আৰু তেওঁলোকে যি ধৰণেৰে সমস্যাৰ সমাধান উলিয়াইছে সেইবোৰে আপোনাক নিশ্চয় সহায় কৰিব পাৰে। ইয়াৰ কাৰণে আপুনি শিকাৰ সুযোগ আৰু সমাধান উলিয়াবলৈত্ৰ আন বিদ্যালয়সমূহৰ লগত একেলগে কাম কৰিব লগাওঁ হ'ব পাৰে। উদাহৰণস্বৰূপে- আপুনি আপোনাৰ মণ্ডল (cluster)ৰ আন তিনিখন বিদ্যালয়ৰ সৈতে লগলাগি পৰ্যায়ত্ৰ মে প্ৰতিখন বিদ্যালয়ে পোৱাকৈ বিজ্ঞান প্ৰয়োগশালাৰ সা-সজুঁলিৰ এটা চেট (Set) কিনিবৰ বাবে ধন (fund) গোটাব পাৰে বা আপুনি ছাত্ৰ-ছাত্ৰীৰ ত্ৰীড়া পাঠ্যত্ৰ ম প্ৰসাৰিত কৰি এখন আন্তঃ বিদ্যালয় ত্ৰীড়া মিটিং অনুষ্ঠিত কৰি পুৰণা ছাত্ৰ-ছাত্ৰীক প্ৰশিক্ষণ আৰু আয়োজনৰ ভূমিকা প্ৰদান কৰিব পাৰে।

একেদৰে, আপুনি কিছুমান স্থানীয় স্বেচ্ছসেৱী সংগঠন (বে-চৰকাৰী সংস্থা, সাধাৰণতে NGO কোৱা হয়) সমূহৰ লগতো অংশীদাৰী হিচাবে কাম কৰিব পাৰে। আপোনাৰ বিদ্যালয়ৰ শিক্ষাৰ গুণগত মান বৃদ্ধি কৰিবৰ বাবে এই সংগঠন সমূহে বিভিন্ন শিক্ষণ আৰু শিকন সমল, পদ্ধতি, শিকন সামগ্ৰীৰ যোগান ধৰি আৰু সৰ্বোত্তম শিক্ষণ প্ৰত্ৰিয়াবোৰ আদান-প্ৰদান কৰি এটা বিকল্প পদ্ধতিৰে কাম কৰি আপোনাৰ বিদ্যালয়ক উপকৃত কৰিব পাৰে।



**চিত্ৰ-** 2 আন বিদ্যালয় আৰু বে- চৰকাৰী সংগঠন সমূহৰ সৈতে একেলগে মিলি কাম কৰিলে আপোনাৰ ছাত্ৰ-ছাত্ৰী উপকৃত হ'ব।

### বিষয় অধ্যয়ন 2 ঃ পৰামৰ্শ (mentioring) ৰ মাধ্যমেৰে নেতৃত্ব আৰু শিকন Case Study 2: (Leading and learning through mentorirg)

ভাৰতত থকা এখন মেট্ৰ (metro) চহৰৰ নৈশ বিদ্যালয়সমূহৰ নেতৃত্ব লোৱা সফল লোকসকলে পৰামৰ্শদাতা হিচাপে আন নৈশ বিদ্যালয়ত 'তেওঁলোকৰ কাহিনীবোৰ ক'বলৈ যায়। বিদ্যালয়ৰ নেতৃস্থানীয় লোকসকলে যাতে প্ৰত্যেকে প্ৰত্যেকৰ লগত তেওঁলোকৰ অভিযোগ, সফলতা আৰু কাৰ্যনীতি সম্বন্ধে আদান-প্ৰদান কৰিব পাৰে, সেই উদ্দেশ্যৰে তেওঁলোকৰ মাজত গুণগত আলোচনাত্ৰকথা-বতৰা হয়। ছাত্ৰ-ছাত্ৰীৰ শিকন আৰু বিদ্যালয়ৰ নেতৃত্ব উন্নত কৰিবলৈ এনেধৰণৰ বিচাৰ (idea) বোৰক এটা সুযোগ হিচাপে চাব পাৰি। দৰ্শনৰ সময়ছোৱাত, অভিজ্ঞ পৰামৰ্শদাতাসকলে তেওঁলোকৰ অভিজ্ঞতাসমূহ আদান-প্ৰদান কৰে আৰু তেওঁলোকৰ বিদ্যালয়লৈ আহি সেইসকল লোকক পৰ্যৱেক্ষণ কৰিবলৈও আমন্ত্ৰণ জনায়।

আৰম্ভণিৰ অহা যোৱাটো 'অভিজ্ঞতাৰত্ৰকাহিনীৰ' আদান-প্ৰদান আৰু শ্ৰৱণৰ ওপৰত কেন্দ্ৰীভূত কৰা হৈছে আৰু এটা ইতিবাচক সম্বন্ধ

গঢ়ি তোলাত ইয়াক প্ৰাৰম্ভিক প্ৰয়াস হিচাপে চাব পাৰি। পৰামৰ্শদাতা (Mentor) জনে পৰামৰ্শ গ্ৰহণ কৰোঁতা (Mentee) জনৰ সৈতে অনানুষ্ঠানিকভাৱে বিদ্যালয়ৰ চাৰিওফালে খোজ কাঢ়ি বিদ্যালয়ৰ কাম-কাজৰ বিভিন্ন দিশসমূহৰ বিষয়ে মাত্ৰ শুনি আৰু দৈনন্দিন কাৰ্যত্ৰ ম (events) আৰু পৰিস্থিতিবোৰ চাই ঘূৰি ফুৰে। মাজে সময়ে ইয়াক 'শিকনৰ বাবে খোজ কাঢ়া' বুলি কোৱা হয় আৰু ই আলোচনা কৰিবলৈ এটা প্ৰয়োজনীয়ঃউপযুক্ত পৰ্যবেক্ষণ প্ৰদান কৰিব পাৰে। বেছি পৰিমাণে আনুষ্ঠানিক শ্ৰেণীকোঠা পৰ্যবেক্ষণৰ দ্বাৰা বিশেষ ধৰণৰ শিক্ষণ আৰু শিকন প্ৰত্ৰি য়াবোৰ লক্ষ্য কৰি 'শিকনৰ বাবে খোজকঢ়াত' আদান প্ৰদান কৰিব পাৰি।

পৰামৰ্শদাতা-পৰামৰ্শ লওতাৰ অহা যোৱাটোৱে বিদ্যালয়ৰ প্ৰথা (practies) বোৰ বুজি পোৱাত দৃষ্টি সহায়ক হয় আৰু পৰামৰ্শ লওঁতা (Mentee) জনক তেওঁলোকৰ অভিযোগঃপ্ৰত্যাহ্বানবোৰ ক'বলৈঃসম্বোধিত কৰিবলৈ সহায় কৰে। পৰামৰ্শদাতাজনে পৰামৰ্শ লওতাজনক বা তেওঁৰ বিদ্যালয়ক পৰিদৰ্শন কৰা নুবুজায়, অথবা বিদ্যালয়ত সজাই পৰাই দেখুওৱাৰ প্ৰয়োজন নাই। মুঠতে এই প্ৰত্ৰি য়াটোত পৰামৰ্শদাতাজনৰো লাভ হয়, কাৰণ আন বিদ্যালয়সমূহ চাবলৈ যাওতে তেওঁলোকে পৰামৰ্শ গ্ৰহণ কৰোঁতাজনৰ সৈতে কৰা আলোচনাৰ মাধ্যমেৰে তেওঁলোকেও শিকে। এটা ভাল সদস্যতা (mentorship)ৰ মডেল হৈছে দুয়োফালৰ পৰা শিকাৰ প্ৰত্ৰি য়া আৰু ই দুয়োখন বিদ্যালযক উন্নতিৰ ফালে আগুৱাই লৈ যায়।

## ত্ৰি য়া-কলাপ 3 ঃ এটা অংশীদাৰীৰ কাৰণে এটা প্ৰস্তাৱৰ বিকাশ (Activity 3: Developing a proposal for a partnership)

বিদ্যালয়ৰ লগত থকা স্থানীয় অংশীদাৰীয়ে কি ভাৱে তাত জড়িত হৈ থকা নেতৃস্থানীয় লোকসকলক শিকনত সমৰ্থন কৰে এই বিষয়ে বিষয়ভিত্তিক অধ্যয়ন 2 ত দিয়া হৈছে। এতিয়া আপুনি নিজৰ পৰিস্থিতিটোৰ বিষয়ে ভাবি আপোনাৰ অঞ্চলৰ কোন কেইখন বিদ্যালয় আৰু বে-চৰকাৰী সংস্থাসমূহৰ সৈতে সহযোগিতামূলকভাৱে কাম কৰিব বিচাৰিছে, আপোনাৰ শিকন দিনলিপিত সেই বিলাকৰ এখন তালিকা প্ৰস্তুত কৰক।

যদি আপুনি আৰু আন কিছুমান বিদ্যালয় বা বেচৰকাৰী সংস্থাক আপোনাৰ বিদ্যালয়ত অন্তৰ্ভুক্ত কৰি এই কাৰ্যটো বিস্তৃত কৰিব বিচাৰে তেন্তে আপুনি কৰিব পাৰে। উদাহৰণস্বৰূপে, এখন পষ্টাৰত আপোনাৰ সহকৰ্মীসকলক আন বিদ্যালয় আৰু বেচৰকাৰী সংস্থাসমূহৰ নাম লিখিব দিয়ক আৰু সেই অনুষ্ঠানসমূহৰ সৈতে তেওঁলোকৰ কোনোধৰণৰ সংযোগ আছে নেকি লিখক। যদি ইতিমধ্যে সেই অনুষ্ঠানসমূহৰ সৈতে এটা সংযোগ আছে, তেন্তে ই বৰ সহায়কাৰী হ'ব পাৰে আৰু তাক ভেঁটি হিচাপে লৈ আপুনি অংশীদাৰী গঢ়ি তুলিব পাৰে।

আপুনি একেলগে কাম কৰিব বিচৰা সম্ভাব্য অনুষ্ঠানসমূহৰ তালিকাখন এবাৰ পোৱাৰ পিছত একেলগে (বা অংশীদাৰী হিচাপে) কাম কৰিলে আপোনালোকে ক'ত ক'ত দৃষ্টি নিবদ্ধ কৰিব, সেই বিষয়ে ভাবিবলৈ আৰম্ভ কৰক। আপোনাৰ বিচাৰবোৰ আপোনাৰ বিদ্যালয়ত থকা এটা অভিযোগ বা প্ৰত্যাহ্বান সম্বন্ধিতো হ'ব পাৰে, যেনে— কম সাফল্যপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ প্ৰয়োজনীয় চাহিদা পূৰণ কৰা বা প্ৰযুক্তিৰ সুবিধা প্ৰদান কৰা ইত্যাদি। এই প্ৰত্যাহ্বানবোৰ ইতিমধ্যে বিদ্যালয় উন্নয়ন পৰিকল্পনাত চিনাক্ত কৰা হৈছে— বা আপুনি যদি এইবোৰ এতিয়াও বিবেচনা কৰা নাই তেন্তে এতিয়া সেইবোৰ বিচাৰ কৰি চাবলৈ এটা সুযোগ পাইছে। আকৌ আপুনি আপোনাৰ সহকৰ্মীৰ সৈতে এইবোৰ কৰিব বিচাৰিলে তেওঁলোকে তেওঁলোকৰ নিজৰ নিজৰ দক্ষতা আৰু ৰুচি সম্বন্ধিত কিছুমান নতুন বিচাৰঃধাৰণা সৃষ্টি কৰিব পাৰে। উদাহৰণস্বৰূপে, স্থানীয়ভাৱে প্ৰচলিত হৈ থকা নৃত্য-গীত অনুষ্ঠিত কৰিবলৈ সুবিধা হোৱা এটা ডাঙৰ কোঠা থকা এখন বিদ্যালয়ৰ সৈতে আন এখন বিদ্যালয়ৰ এগৰাকী শিক্ষয়িত্ৰীয়ে অংশীদাৰ হিচাপে কাম কৰিবলৈ পৰামৰ্শ দিব পাৰে। এইদৰে বিদ্যালয়ৰ হল (Hall) ঘৰটো ব্যৱহাৰ কৰাৰ পৰিৱৰ্ত্তে বা দুখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীকে, দলবদ্ধভাৱে দুয়োখন বিদ্যালয়ৰ বাবে কাম কৰোৱাই তেওঁ, নিজৰ দক্ষতাবোৰ আদান-প্ৰদান কৰিবলৈ সুযোগ পাব পাৰে।

আপুনি আপোনাৰ বিচাৰঃধাৰণা আৰু সম্ভাৱনাপূৰ্ণ অংশীদাৰ পোৱাৰ পিছৰ স্তৰত আপুনি আন অনুষ্ঠানৰ সৈতে যোগাযোগ কৰি তেওঁলোকে আপোনাৰ বিদ্যালয়ৰ সৈতে সহযোগিতামূলকভাৱে কাম কৰিবলৈ কিমান আগ্ৰহী, তাক পৰীক্ষা কৰি চাব লাগিব। যদি তেওঁলোকে তাৰ পৰা হ'বলগীয়া লাভালাভবোৰ বিচাৰি উলিয়াব পাৰে বা পাৰস্পৰিক লাভৰ মাত্ৰাটো বুজি পায়, তেন্তে তেওঁলোকে সহযোগিতামূলকভাৱে কাম কৰিবলৈ ইচ্ছুক হয়। গতিকে আপুনি ৰুচিৰ লগত সংলগ্ন এনে কিছুমান বিচাৰ উপস্থাপন কৰাৰ প্ৰয়োজন যাতে তাৰ পৰা কথা-বতৰা আৰম্ভ কৰিব পাৰে। মনত ৰাখিব, আপোনালোকে কেনেকৈ একেলগে কাম কৰিবলৈ গৈছে, তাত দুয়োপক্ষ সন্মত থাকিব লাগিব, কাৰণ অংশীদাৰী সদায় দুয়োপক্ষৰ পৰা হয়। আপোনাৰ বিচাৰ উপস্থাপন কৰোঁতে আৰু আপোনাৰ প্ৰস্তাৱ আৰু অধিক মনোগ্ৰাহী কৰিবলৈ আপোনাৰ অংশীদাৰসকলৰ পৰা অহা বিচাৰবোৰ বিবেচনা কৰিব। এতিয়া সমল 2 ত দিয়া আৰ্হি ব্যৱহাৰ কৰি আপোনাৰ সম্ভাব্য অংশীদাৰৰ বিচাৰবোৰ এক কৰিবলৈ চেষ্টা কৰক, আপুনি হয়তো সকলোবোৰ সম্পূৰ্ণ কৰিবলৈ বা নিজাকৈ

অন্তিমৰূপ দিবলৈ সমৰ্থ নহ’বও পাৰে। সম্ভাব্য অংশীদাৰ বা অংশীদাৰসকলৰ লগত আলোচনা কৰোঁতে এই প্ৰক্ৰিয়াটোৱে আপোনাক এটা ৰূপৰেখা প্ৰদান কৰিব।

আলোচনা **(Discussion)**

আপোনাৰ সম্ভাব্য অংশীদাৰৰ বিষয়ে আৰু কি কি ক্ষেত্ৰত তেওঁলোকৰ সৈতে সহযোগিতামূলকভাৱে কাম কৰিব পাৰে সেই বিষয়ে বহুত ধৰণৰ বিচাৰচিন্তাভাৱনা থাকিব পাৰে। মনত ৰাখিব লাগিব যে, সহযোগ আৰু অংশীদাৰীত্ব স্থাপিত কৰোঁতে বহুত সময় আৰু প্ৰয়াসৰ আৱশ্যক হয়, সেয়ে কোনো এক সময়ত আপুনি কি ভাবে একাধিক অংশীদাৰ নিযুক্ত কৰিব পাৰে সেই বিষয়ে যথাৰ্থবাদী (realistic) হ’ব। এটা অংশীদাৰীত্বৰ বাবে আপুনি নিজে এটা প্ৰস্তাব লোৱাটো এটা উপযোগী প্ৰাৰম্ভণিষ। য়েতিয়া ক্ষেত্ৰত বহুত মানুহক জড়িত কৰা হয় আৰু উভয়পক্ষই সম্ভাৱনীয়তা আৰু লাভৰ ওপৰত বিচাৰ বিবেচনা কৰে তেতিয়া সহযোগিতামূলকভাৱে কাম কৰিবলৈ আটাইতকৈ ভাল হয়। যদি এইদৰে কৰা হয়, তেন্তে আপোনাৰ প্ৰস্তাৱটো কৃতকাৰ্য হৈছে বুলিয়েই ধৰি ল’ব পাৰি। অংশীদাৰীত্ব বহুত সময়ৰ প্ৰয়োজন হ’ব পাৰে আৰু উভয়পক্ষই ইয়াৰ সম্ভাব্য ফলাফল আৰু সম্ভাব্য বিপদবোৰৰ বিষয়ে স্পষ্ট নহ’লে ই ফলপ্ৰসু নহ’বও পাৰে।

## 3. সমুদায় সংস্থা আৰু স্থানীয় ব্যৱসায়ী সংস্থাৰ সৈতে অংশীদাৰী (3Partnering with community organisations and local businesses)

এখন বিদ্যালয়ক আগুৱাই নিওঁতে যথেষ্ট পৰিমাণে সামুদায়িক সংস্থা আৰু স্থানীয় ব্যৱসায়ীসকলৰ সমন্বয়ৰ আৱশ্যকতা হয়। আপোনাৰ বিদ্যালয়ৰ আশে-পাশে বহুতো সামুদায়িক সংস্থা আছে। তাৰে কিছুমান সংস্থা অনানুষ্ঠানিক, যেনে মাতৃ গোট বা আত্মসহায়ক গোট আদি সংস্থাবোৰে কিছুমান সংগঠিত সেৱা আৰু অনুষ্ঠানৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলক অধিক সুযোগ প্ৰদান কৰিব পাৰে। তেওঁলোকে সাক্ষৰতা আৰু সংখ্যা লিখা দক্ষতাৰ পৰা আৰম্ভ কৰি কলা প্ৰদৰ্শন, বিজ্ঞান আৰু কৃষি, যোগাযোগ দক্ষতা আৰু বৃত্তিমূলক নিৰ্দেশনা জনপ্ৰিয়তা কৰাৰলৈকে কাৰ্যক্ৰম প্ৰদান কৰিব পাৰে। কিছুমানে বিদ্যালয়ত মধ্যবিৰতিৰ আহাৰৰ যোগান ধৰে, কিছুমানে ছাত্ৰ-ছাত্ৰীৰ বাবে ছাত্ৰবৃত্তি প্ৰদান কৰে আৰু কিছুমানে বিদ্যালয়ত বুনিয়াদী আন্তঃগাঁথনিত সহায় কৰে। বিদ্যালয় আৰু সমুদায় সংস্থাবোৰে এই ধৰণৰ সেৱা আৰু কাৰ্যক্ৰমবোৰ অতি দক্ষতাৰে প্ৰদান কৰিব পাৰে হয় আৰু এইবোৰে শিক্ষকসকলৰ দক্ষতাক যে পৰিপূৰ্ণ কৰে।

### ভিডিঅ’ ঃ বিদ্যালয়ৰ নেতৃত্ব-বিদ্যালয় প্ৰতিষ্ঠা-সম্প্ৰদায়ৰ সৈতে অংশীদাৰী (Video: School Leadership – Establishing school–community partnerships)

আপোনাৰ নেতৃত্বৰ ভূমিকা হৈছে আপোনাৰ বিদ্যালয়ৰ সৈতে সমুদায় সংস্থা আৰু স্থানীয় ব্যৱসায় গোটৰ সংযোগ কৰা আৰু এই অংশীদাৰী ব্যৱহাৰ কৰি আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকন বৃদ্ধি কৰা। ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা ক্ষেত্ৰ পৰিদৰ্শন কৰি আৰু বৃত্তিধাৰী বা দক্ষ ব্যক্তিসকলৰ দ্বাৰা বিদ্যালয় পৰিদৰ্শন কৰোৱাই আপুনি ছাত্ৰ-ছাত্ৰীৰ শিকন বৃদ্ধি কৰাব পাৰে। বিদ্যালয়ৰ পাঠ্যক্ৰম আৰু কেলেণ্ডাৰৰ বিৰুদ্ধে গৈ কেনেকৈ এটা শ্ৰেণীয়ে অংশীদাৰীৰ মানচিত্ৰ প্ৰস্তুত কৰিছে তাৰে এটা উদাহৰণ তালিকা 1 ত দিয়া হৈছে।

*তালিকা 1 ঃ— সপ্তম শ্ৰেণীৰ এটা উদাহৰণত সম্প্ৰদায়ৰ সৈতে অংশীদাৰীৰ এটা উদাহৰণ দেখুওৱা হৈছে।*

| বিষয় | পাঠ | অনুষ্ঠানস্থান | যোগাযোগ কৰা ব্যক্তি | উদ্দেশ্য | মাহ |
|---|---|---|---|---|---|
| ভূগোল | মাটি | খেতিয়কসকলৰ সমবায় | শ্ৰীমতী ৰূপালী হাজৰিকা | মাটিৰ প্ৰকাৰ আৰু কেনেকৈ সেইবোৰ চিনাক্ত কৰিব | জুলাই পৰিদৰ্শক |
| পৌৰবিজ্ঞান | স্থানীয় স্বা-শাসন | পঞ্চায়ত | শ্ৰীমতী নিভা বৰা | পঞ্চায়তৰ দায়িত্ব জানিবলৈয় | আগষ্ট পৰিদৰ্শক |

| | | | | | |
|---|---|---|---|---|---|
| | | | | গণনা কৰিবলৈ সক্ষম হোৱা | |
| বিজ্ঞান | শব্দ | যন্ত্ৰ বনোৱা কাৰখানা | শ্ৰীযুত মুনীন মহন্ত | তাঁৰ্যব্যৱহাৰ কৰি এটা যন্ত্ৰ বনোৱা | ছেপ্টেম্বৰ পৰিদৰ্শক |
| ইংৰাজী | পত্ৰ লিখন | ডাকঘৰ | শ্ৰীযুত চন্দ্ৰ বৰুৱা | পত্ৰ লিখা নিয়ম আৰু পিনক'ড | অক্টোবৰ পৰিদৰ্শক |
| বুৰঞ্জী | ঐতিহ্যস্থান | আহোমৰ (স্বৰ্গদেউসকলৰ মৈদামসমূহ) | শ্ৰীযুত ৰাজু মহন্ত | নিৰ্মাণত ব্যৱহৃত পদাৰ্থ ধাতুৰ চিনাক্তকৰণ , ক'ৰ পৰা আহিলেহেঁতেন আৰু নিৰ্মাণ শৈলী | জানুৱাৰী পৰিদৰ্শক |

স্থান/ক্ষেত্ৰ পৰিদৰ্শন সংগঠিত কৰাটো ইমান সহজ নহয়, কাৰণ ইয়াৰ কাৰণে অনুমতি পাব লাগিব, প্ৰাসংগিক লোকসকলক লগ পাব লাগিব আৰু ছাত্ৰ-ছাত্ৰীসকলক সেই স্থানলৈ নিৰাপদ লৈ গৈ আকৌ বিদ্যালয়লৈ আহিব লাগিব। এই ধৰণৰ ভ্ৰমন আয়োজন কৰিবলৈ আপুনি শিক্ষকসকলক সমৰ্থন কৰিব লাগিব আৰু সাহস দিব লাগিব। মনত ৰাখিব, ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাক উভয়ে হৈছে সমল আৰু সমৰ্থনৰ প্ৰয়োজন হয় আৰু আপুনি ক্ষেত্ৰ ভ্ৰমণত প্ৰাপ্তবয়স্ক আৰু ছাত্ৰ-ছাত্ৰীৰ উপস্থিতিৰ এটা সঠিক অনুপাত নিশ্চিত কৰিব বিচাৰে তেন্তে তেওঁলোক আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে ক্ষেত্ৰ ভ্ৰমণত যাবলৈ ইচ্ছুক তেন্তে হ'ব ।

বিদ্যালয়ৰ এজন নেতা হিচাবে, আপুনি —

- আপোনাৰ বিদ্যালয়ৰ সৈতে সমুদায়িক সংগঠনবোৰক ব্যস্ত ৰাখিবলৈ দায়বদ্ধ।
- উপযুক্ত কৰ্ম-চৰ্চা স্থাপনৰ বাবে দায়বদ্ধ।
- পৰ্যবেক্ষণ আৰু মূল্যায়নৰ প্ৰভাবৰ বাবে দায়বদ্ধ।

যিকোনো অংশীদাৰিত্বৰ বাবে বিদ্যালয় পৰিচালনা সমিতিৰ অনুমোদন অতি প্ৰয়োজন আৰু বিদ্যালয়ৰ বাবে ই যাতে কামত আহে আৰু ফলপ্ৰসুভাবে কাম কৰে তাৰ বাবে ইয়াৰ কাৰ্যকাৰিতা নিয়মিতৰূপে ৰিপোৰ্ট কৰিবলৈ নিশ্চিত কৰিব লাগে।

## ত্ৰি য়া-কঙ্লাপ 4 ঃ এটা বিজ্ঞানৰ কাৰ্যকলাপ কেন্দ্ৰলৈ এটা ক্ষেত্ৰ ভ্ৰমণ Activity 4: A field visit to a science activity centre

এটা ফাউণ্ডেশ্যনে চলোৱা এটা বিজ্ঞানৰ কাৰ্যকলাপ কেন্দ্ৰলৈ নৱম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলক কেইবাদিনৰ বাবে লৈ যোৱা হৈছিল। বিদ্যালয়ৰ আলোচনীত (Mehta, 2014) এজন ছাত্ৰই লিখা কথাবোৰ আপোনালোকে তলত পঢ়িব পাৰিব—



**চিত্ৰ- 3** ক্ষেত্ৰ ভ্ৰমণৰ ওপৰত এটি সাধু / কাহিনী কোৱা

আমাক সোণাপুৰলৈ লৈ গৈছিল। এইটো আমাৰ দ্বিতীয় আৰু বোধহয় শেষ ক্ষেত্ৰ ভ্ৰমণ আছিল। আমি অষ্টম শ্ৰেণীত থাকোঁতেও সোণাপুৰলৈ গৈছিলো। আচৰিত ভাবে, সোণাপুৰত এইবাৰ আমি যি কৰিছিলো, আগৰ অভিজ্ঞতাৰ পৰা সম্পূৰ্ণৰূপে বেলেগ আছিল। সকলোবোৰ ব্যৱস্থাৰ মাজত ভাল সমন্বয় আছিল আৰু আমি খুব আনন্দ কৰিছিলো।

এই ভ্ৰমণৰ বিজ্ঞানৰ ভাগচোৱা খুবেই ভাল হৈছিল আৰু আমি প্ৰকল্পভিত্তিক শিকনৰ অভিজ্ঞতা লৈছিলো আৰু বিজ্ঞানৰ সুন্দৰ পৃথিৱীখনত আমি নিজাকৈ অনুসন্ধান চলাইছিলো। প্ৰকল্প ভিত্তিক শিকনে ছাত্ৰ-ছাত্ৰীক কিছুমান ভাল প্ৰ ্ন কৰিবলৈ শিকাইছিল আৰু আমি প্ৰয়োগৰ মাধ্যমৰে এটা পূৰ্ব নিৰ্ধাৰিত পৰিকল্পনাত পুষ্টি যোগাইছিলো বা পৰিবৰ্তনত যোগ কৰিছিলো। মই যি ধৰণেৰে বিজ্ঞানক চাইছিলো ই সঁচাকৈয়ে মোৰ ধাৰণাবোৰ সলনি কৰি দিছিল। উচ্চ প্ৰযুক্তি সম্পন্ন প্ৰয়োগশালাৰ যন্ত্ৰ-পাতিয়স-সঁজুলিৰে শিবিৰত এজন ক্ষুদ্ৰ বৈজ্ঞানিকৰ দৰে পৰীক্ষা-নিৰীক্ষা কৰিবলৈ সুবিধা পোৱাটো সঁচাকৈয়ে এটা পাহৰিব নোৱাৰা অভিজ্ঞতা আছিল। ফাউণ্ডে ্নটোৱে আমাৰ কাৰণে খুবেই ভাল আয়োজন কৰিছিল। আমি শিবিৰত প্ৰায় 6 দিন থাকিলো আৰু পদাৰ্থ বিজ্ঞান, গণিত, জীৱবিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ বহুতো পৰীক্ষা-নিৰীক্ষা কৰিলো। উচ্চ সন্মানীয় প্ৰফেচৰ সকলে আমাৰ অধিৱেশনবোৰ চলাইছিল আৰু আমাৰ বিজ্ঞানৰ জ্ঞান বৃদ্ধি আৰু সমৃদ্ধ কৰিছিল। ফাউণ্ডে ্নটোৰ নিজস্ব আৱিস্কাৰ কেন্দ্ৰ আৰু এটা গম্বুজ (dome) থিয়েটাৰ আছে আৰু আমি তাতে অন্তৰীক্ষ (space)ৰ বিষয়ক এখন চুটি চিনেমা চাইছিলো।

এই ভ্ৰমণটোৰ আটাইতকৈ ভাল লগা মুহূৰ্তটো আছিল সমুদায়ৰ সৈতে কথা পাতা। আমি গ্ৰামীণ শিক্ষা পদ্ধতি আৰু স্থানীয় বিদ্যালয়বোৰ অধ্যয়ন কৰিছিলো। ছাত্ৰ-ছাত্ৰীসকল বিভিন্ন ক্ষেত্ৰত ইমানেই বুদ্ধিমান আৰু প্ৰতিভাৱান আছিল যে বহুতে কল্পনাই কৰিব পৰা নাছিল। আমাৰ কাৰণে ই এটা অতি গৰ্ব (proud)ৰ মূহুৰ্ত আছিল যে আমি তেওঁলোকক লগ পাইছিলো। আমি তেওঁলোকৰ সৈতে কিছুমান হাঁহি উঠা ধৰণৰ কাৰ্যও কৰিছিলো।

আমি সোণাপুৰলৈ গৈ পাথৰ কুঁৱাৰী চাবলৈ যোৱাটো আমাৰ স্মৃতিৰ ভঁৰালত সদায় সাঁচি থম। এই ভ্ৰমণটোত আমাৰ যথেষ্ট ভাগৰ লাগিছিল যদিও আটাইয়ে মিলি খোজ কাঢ়ি পাহাৰৰ ওখ শৃঙ্গ পোৱাটো খুৱেই সন্তোষজনক আছিল। আমাৰ কাৰণে তাত বিশেষ ধৰণৰ সাংস্কৃতিক সন্ধিয়াৰ পৰিকল্পনা কৰিছিল আৰু আমি সকলোৱে মিলি তাত নাচিছিলো, গান গাইছিলো আৰু মিউজিকেল বাদ্য বজাইছিলো। মই ইয়াকে কৈ সমাপ্ত কৰিবলৈ ভাল পাম যে আমি আনন্দ আৰু শিকন বিভিন্ন ধৰণৰে পাব পাৰো আৰু বোধগম্যতাৰ মাজেৰে যি শিকন লাভ কৰো সেয়া আটাইতকৈ ভাল। বিদ্যালয়ৰ নেতৃস্থানীয় লোকসকলে আৰু বিজ্ঞানৰ শিক্ষকগৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক শিবিৰলৈ পঠোৱাৰ আগতে এই ভ্ৰমণটো যে এটা সফল ভ্ৰমণয়যাত্ৰ হ'ব তাক নিশ্চিত কৰিবলৈ ফাউণ্ডে ্নটোৰ সৈতে কি আলোচনা কৰিছিল আপোনাৰ শিকন দিনলিপিত লিখক। তাৰোপৰি, ছাত্ৰ-ছাত্ৰীয়ে এই ভ্ৰমণটোৰ পৰা কি শিকিলে, আপোনাৰ অনুভৱৰ বিষয়ে লিখক।

বিদ্যালয়ৰ নেতৃস্থানীয় লোক আৰু বিজ্ঞানৰ শিক্ষকজনে ফাউণ্ডেশনৰ সৈতে আলোচনা কৰা বস্তুবোৰৰ তালিকাত বোধহয় নিম্নলিখিত বস্তুবোৰ অন্তৰ্ভুক্ত আছিল।

- তাৰিখ

- কিমান সংখ্যক ছাত্ৰ-ছাত্ৰী যাব পাৰিব
- যাত্ৰা
- ক'ত থাকিব
- বাজেট
- দৈনন্দিন কাৰ্যত্ৰ ম
- সমল ব্যক্তি
- আহাৰ আৰু আহাৰৰ তালিকা
- নিৰাপত্তা
- অতিৰিক্ত কাৰ্যকলাপ
- চিকিৎসাৰ সা-সুবিধা
- পাঠ্যত্ৰ ম

বিদ্যালয়ৰ নেতা (মুৰব্বী) জনে অভিভাৱকৰ সৈতে আলোচনা কৰিবগীয়া বিষয়ৰ তালিকাত বোধহয় একেধৰণৰ নিম্নলিখিত বিষয়বোৰ অন্তৰ্ভুক্ত আছিল—

- ক্ষেত্ৰ ভ্ৰমণ (Field visit)ৰ উদ্দেশ্যৰ বিষয়ে জনোৱা।
- অনুমতি প্ৰদানৰ বাবে এখন প্ৰ-পত্ৰ।
- চিকিৎসা সম্বন্ধীয় নিৰ্দ্দেশনা আৰু প্ৰয়োজনমতে বিশেষ ধৰণৰ আহাৰৰ ব্যৱস্থা।
- ছাত্ৰ-ছাত্ৰীসকলে লগত লৈ যাবলৈ যাবতীয় বস্তু-বাহানিৰ এখন তালিকা।
- ছাত্ৰ-ছাত্ৰীয়অভিভাৱকসকলক কোন দিনা নিব আৰু থব, তাৰিখ আৰু সময়।

## ত্ৰি য়া-কলাপ 5: আপোনাৰ জনসম্প্ৰদায় Community ··ৰ সৈতে বৰ্তমান অংশীদাৰীৰ মূল্যায়ন Activity 5: Evaluating your current partnerships with your community

বৰ্তমান আপুনি কোনটো জনসমুদায়ৰ সৈতে বিদ্যালয়ত একেলগে অংশীদাৰীত কাম কৰি আছে বিচাৰ কৰক। হয়তো আপোনাৰ এটা স্থানীয় ব্যৱসায়ৰ সৈতে খুবেই কম সম্বন্ধ থাকিব পাৰে বা এটা বে-চৰকাৰী সংস্থাৰ সৈতে সা-সুবিধাৰ আদান-প্ৰদান উল্লেখযোগ্য কৰি অংশীদাৰীত কাম কৰিব পাৰে। চিত্ৰ- 4 ত দিয়া আৰ্হিটো চাওঁক আৰু আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ওপৰত এই অংশীদাৰীৰ কি প্ৰভাব পৰিছে আৰু একেলগে কাম কৰি আপুনি আৰু অধিক উপকৃত হ'ব পাৰিছে নে নাই মূল্যায়ন কৰক।

চিত্ৰ 4 ত দেখুওৱা দৰে SWOT (strength, weakness, opportunities, threats) শক্তি, দুৰ্বলতা, সুযোগ আৰু শংকা) গ্ৰিড বা জালি ব্যৱহাৰ কৰি আপোনাৰ শিকন দিনলিপিত এটা টোকা বনাওক। এই মূল্যায়ন কৰোঁতে আপুনি আপোনাৰ সহকৰ্মী, অভিভাৱক আৰু লগৰীয়াকো অন্তৰ্ভুক্ত কৰিব পাৰে।

| শক্তি | দুৰ্বলতা |
|---|---|
| অংশীদাৰৰ সকলোবোৰ ভাল কথা তালিকাভুক্ত কৰক। তালিকাভুক্ত কৰোঁতে যিবোৰে ছাত্ৰ-ছাত্ৰীৰ শিকনত প্ৰভাৱ পেলায় সেইবোৰ বিবেচনা কৰিব। | অংশীদাৰীত কাম কৰোঁতে যিবোৰ অসুবিধাৰ সন্মুখীন হয়, যাৰ ফলত কাম কৰিবলৈ টান হয়, তেনে সকলোবোৰ বিষয়বস্তু তালিকাভুক্ত কৰক। |
| **সুযোগ** | **শংকা** |
| ছাত্ৰ-ছাত্ৰীৰ শিকনক অধিক উন্নতি কৰিবলৈ যিবোৰ বিষয়বস্তু বৰ্তমান লোৱা নাই, কিন্তু আকৌ হ'ব পাৰে, সেই সকলোবোৰ বিষয়বস্তু তালিকাভুক্ত কৰক। | অংশীদাৰী হিচাপে একেলগে কাম কৰোঁতে যিবোৰ অসুবিধা পায় বা পাব পাৰে তেনে যিকোনো বিষয়ৰ তালিকা কৰক। |

চিত্ৰ 4 ত আপোনাৰ বিদ্যালয়ৰ সৈতে থকা জনসম্প্ৰদায়ৰ অংশীদাৰীৰ মূল্যায়ন কৰিবলৈ এটা SWOT (শক্তি, দুৰ্বলতা, সুযোগ আৰু ধম্‌কি) গ্ৰিড

### আলোচনা (Discussion)

এটা অংশীদাৰীত কাম কৰোঁতে কিবোৰ বস্তুৱে সহায় কৰে আৰু ক'ত অধিক ভাল কৰিব পাৰি সেইবোৰ বি ষণ কৰিবলৈ এই ধৰণৰ সৰল গ্ৰিড খুৱেই উপযোগী। এই গোটটোৰ অতিৰিক্ত সমলৰ ভাগত SWOT (শক্তি, দুৰ্বলতা, সুযোগ আৰু শংকা) ৰ ওপৰত আপুনি আৰু বেছি পৰিমাণে তথ্য বিচাৰি পাব পাৰে।

- ছাত্ৰ-ছাত্ৰীৰ শিকনত অংশীদাৰীৰ প্ৰভাৱ অধিক উন্নতি কৰিবলৈ যিবোৰ ক্ষেত্ৰৰ আৱশ্যক, তাক চিহ্নিত কৰাত গ্ৰিডে আপোনাক সহায় কৰিছেনে?
- বিদ্যালয় পৰিচালনা সমিতিৰ সৈতে বিদ্যালয়ৰ উন্নয়ন পৰিকল্পনা ৰচনা কৰাৰ আগেয়ে আপুনি তেওঁলোকৰ সৈতে এই গ্ৰিডটো ব্যৱহাৰ কৰাৰ কথা ভাবেনে? হয়তো এটা গুৰুত্বপূৰ্ণ কাম সহজে আগুৱাই নিয়াত ই আপোনাক সহায় কৰিব পাৰে আৰু বিদ্যালয়ৰ চাহিদা আৰু অগ্ৰাধিকাৰ সম্পৰ্কে বিদ্যালয় পৰিচালনা সমিতিক বুজাব পাৰে।

## 4 ছাত্ৰ-ছাত্ৰীৰ মাক-দেউতাক আৰু অভিভাৱকৰ সৈতে নিযুক্ত হৈ 4Engaging with students' parents and guardians

মাক-দেউতাক বা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকল আপোনাৰ বিদ্যালয়ৰ হিতাকাঙ্খী, কাৰণ বিদ্যালয়ত যি শিক্ষা প্ৰদান কৰা হয় তাৰ প্ৰভাৱ পোনপটীয়াভাৱে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ জীৱনৰ সম্ভাৱনাৰ ওপৰত পৰে। যেতিয়া বিদ্যালয় আৰু মাক-দেউতাকে একেলগে অংশীদাৰী হিচাবে কাম কৰে, ছাত্ৰ-ছাত্ৰীসকল উপকৃত হয় আৰু বেছি ধৰণে সফল হয়। ইয়াত কোনো সন্দেহ নাই যে মাক-দেউতাক আৰু অভিভাৱকসকল অসন্তোষীয়া (demanding) হ'ব পাৰে, কিন্তু আপুনি যদি সাবধানেৰে সম্বন্ধবোৰ ঠিকে ঠাকে পৰিচালনা কৰিব পাৰে, তেওঁলোক বৰ সহায়ক হ'ব পাৰে। বিদ্যালয়ৰ নেতাৰ ভূমিকা হৈছে তেওঁলোকে মাক-দেউতাকক নিযুক্তি কৰি ৰাখিবলৈ বিভিন্ন উপায় বিচাৰে যাতে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক সম্ভাব্য সকলো ফালৰ পৰা সমৰ্থন আগবঢ়াব পাৰে আৰু বিদ্যালয়ত কৰা কামসমূহ দৃঢ়ীকৰণ কৰিব পাৰে।

যদি আপুনি মাক-দেউতাকসকলক শিকন আৰু শৈক্ষিক সফলতাত নিযুক্ত কৰে, তেন্তে তেওঁলোকে অনুভৱ কৰিবই যে বিদ্যালয় হৈছে এখন স্বাগতপূৰ্ণ ঠাই আৰু তেওঁলোক তাত মহত্বপূৰ্ণ আৰু সন্মানীয়।

ভিডিঅ’ঃ ··বিদ্যালয় নেতৃত্ব - মাক দেউতাকক জড়ত কৰি

ভিডিঅ’ঃ - বিদ্যালয় নেতৃত্ব - ছাত্ৰৰ পটভূমি বুজি

## ত্ৰি য়া-কলাপ 6: মাক-দেউতাকক মহত্বপূৰ্ণ অনুভৱ কৰাওঁক আৰু স্বাগত জনাওঁক Activity 6: Making parents feel valued and welcome ·

সীমিত শিক্ষাৰে এজন লাজকুৰীয়া অভিভাৱকে তেওঁৰ পাঁচটা ল’ৰা-ছোৱালীৰ আটাইকেইটাকে তেওঁতকৈ অধিক শিক্ষিত আৰু গণিত শিকাবলৈ বিচৰা দৃশ্য এটাৰ বিষয়ে ভাৱকচোন । তেওঁৰ পত্নী ভয়াতুৰ আৰু তেওঁ কাণেৰে ভালকৈ শুনা নাপায়। তেওঁলোক এটা সংযুক্ত পৰিয়ালত থাকে আৰু তেওঁলোকৰ ল’ৰা-ছোৱালী বিলাক সদায় বিদ্যালয়ত উপস্থিত থাকে। তেওঁলোকৰ আটাইতকৈ সৰু ল’ৰাটোৰ বাহিৰে সকলোৰে শিকনৰ প্ৰতি এটা ইতিবাচক মনোভাৱ আছে। সি শ্ৰেণীত সদায় উপস্থিত নাথাকে আৰু এইটো তাৰ কাৰণে হানিকাৰক হ’ব পাৰে।

- আপুনি এজন ব্যক্তি হিচাবে, কিন্তু তাতোকৈ অধিক গুৰুত্বপূৰ্ণভাবে বিদ্যালয়ৰ এজন নেতা হিচাবে আন অভিভাবকসকলক নিজকে বিদ্যালয় সমুদায়ৰ এটা অংশ বুলি অনুভৱ কৰাবলৈ কেনেকৈ বিদ্যালয়ত নিযুক্ত কৰাব?
- আপুনি কি ধৰণৰ প্ৰত্যাহ্বান ল’ব বিচাৰিছে আৰু কিমান দূৰলৈকে অভিভাৱকসকলে অনুভৱ কৰিব পাৰে যে তেওঁলোকক বিদ্যালয়লৈ স্বাগতম জনোৱা হৈছে, সেই বিষয়ে আপুনি কেনেকৈ বিচাৰি উলিয়াব?

আপুনি ভবা কথাবোৰ আপোনাৰ শিকন দিনলিপিত টুকি ৰাখক।

### আলোচনা **(Discussion)**

এইটো পৰিষ্কাৰ যে মাক-দেউতাকসকলৰ তেওঁলোকৰ স্কুলীয়া দিনৰ পৰা  পূৰ্বৰ জীৱনলৈ নিজা অভিজ্ঞতা আছে, সেয়ে তেওঁলোকে তেওঁলোকৰ ল’ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে গুৰুত্ব দিয়ে আৰু তেওঁলোকৰ বিদ্যালয়ৰ সৈতে থকা সম্বন্ধৰ ওপৰতো ই প্ৰভাব পেলাব পাৰে। মাক-দেউতাকৰ বাবে শিক্ষকৰ প্ৰতি সম্ভ্ৰমযুক্তভয় ভাৱ অনুভৱ কৰাটো আৰু সেয়ে, তেওঁলোকে শিক্ষকক কিবা কঠিন প্ৰত্যাহ্বান বা প্ৰ.ন কৰিবলৈ অসুবিধা পোৱাটো একো অস্বাভাৱিক নহয়।

আচল কথাটো হৈছে, এই মাক-দেউতাকসকল তেওঁলোকৰ ল’ৰা-ছোৱালীৰ শিক্ষাৰ কাৰণে খুবেই আগ্ৰহী আৰু ই  আপোনাৰ কাৰণে এটা ডাঙৰ সুবিধা। আপুনি তেওঁলোকক নিশ্চিত কৰিব পাৰে যে, যদি তেওঁলোক বিদ্যালয়লৈ আহে তেন্তে আপুনি তেওঁলোকৰ সৈতে কথা পাতিব আৰু তেওঁলোকৰ নিজা সমস্যাত আপুনি তেওঁলোকৰ ঘৰলৈ গৈ লগ দিলেও  আপোনাৰ বাবে এটা সুবিধা হ’ব পাৰে। আপুনি সম্ভব তেওঁলোকৰ সৈতে তেওঁলোকৰ আটাইতকৈ সৰু ল’ৰাটোৰ হানিকাৰক ব্যৱহাৰৰ বিষয়ে কথা পাতিব আৰু কেনেকৈ তেওঁৰ এই হানিকাৰক ব্যৱহাৰৰ মূলকাৰণটো (এই ক্ষেত্ৰত সম্ভব কাণেৰে নুশুনা) তেওঁলোকৰ সৈতে অনুসন্ধান কৰিব পাৰিব। যিহেতু এই সকল মাক-দেউতাকৰ স্কুলীয়া অভিজ্ঞতা সীমিত, সেয়ে আপুনি তেওঁলোকৰ সৈতে লিখিত ভাৱে যোগাযোগ কৰাৰ সলনি মৌখিক ভাবেহে যোগাযোগ ৰাখিব। যদি আপুনি কথা ক’লে মাকে বুজি পায়, তেন্তে আপুনি মাকৰ সৈতেও যোগাযোগ ৰখাটো ভাল, আপুনি তেওঁক নিশ্চিত কৰিব যে, যেতিয়া আপুনি তেওঁৰ সৈতে পোনপটীয়াকৈ কথা হোৱাটো বিচাৰে।

সাধাৰণতে, আপুনি এই মাক-দেউতাকসকলক (তেওঁলোকৰ ল’ৰা-ছোৱালীৰ মাধ্যমৰে) বিদ্যালয়লৈ খোলা দিনত কাৰ্যত্ৰ ম বা মিটিং আদিলৈ নিমন্ত্ৰণ কৰিব পাৰে; যেতিয়া তেওঁলোক অতিথি হিচাবে আপোনাৰ বিদ্যালয়লৈ আহে, তেওঁলোকক সম্ভাষণ জনাবলৈ নিশ্চিত হৈ থাকিব, আপোনাৰ পৰা ব্যক্তিগতভাবে তেওঁলোকে যিমানেই আদৰ, যত্ন, মনোযোগ পাব, সিমানেই তেওঁলোকে নিজকে স্বাগত আৰু মূল্যৱান বুলি অনুভৱ কৰিব।

যিসকল ল'ৰা-ছোৱালীয়ে আপোনাৰ বিদ্যালয়ত নামভৰ্ত্তি কৰিছে, তেওঁলোকৰ মাক-দেউতাকৰ সৈতে আপোনাৰ সম্ভৱতঃ অলপ পৰিমাণে হ'লেও কিছু সম্বন্ধ আছে। তাৰে কিছুমান সম্বন্ধ খুবেই ভাল হয়। যিয়েই নহওঁক বা আপুনি মাক-দেউতাকন্নঅভিভাৱকসকলক বিদ্যালয়ৰ কি কামত নিযুক্ত কৰাব পাৰে আৰু সকলো অভিভাৱকক সমানে ব্যৱহাৰ কৰা হৈছে নে নাই তাক পৰীক্ষা কৰি চাবলৈ আপোনাৰ বিদ্যালয়ত চলি থকা কাৰ্যবোৰন্নগতিবিধিবোৰ নিৰীক্ষণ কৰাটো খুৱেই লাভজনক হ'ব পাৰে।

## ত্ৰি য়া-কলাপ 7: অভিভাৱক /মাক-দেউতাকৰ সৈতে আপোনাৰ বিদ্যালয়ৰ প্ৰবৃত্তি নিৰীক্ষ কৰক Activity7: Auditing your school's engagement with parents

এক মুহূৰ্তৰ কাৰণে আপোনাৰ বিদ্যালয়খন মনলৈ আনক আৰু তালিকা 2 ত দিয়া উক্তি কেইটাৰ প্ৰতিটো উক্তিক 10 ৰ ভিতৰত নম্বৰ দিয়ক (10 দিলে সম্পূৰ্ণভাৱে সন্মত বুলি বুজা যাব)

| উক্তি | 10ৰ ভিতৰত নম্বৰ |
|---|---|
| মোৰ বিদ্যালয়খনে এটা ম্যাদ(term)ত এবাৰকৈ হ'লেও সকলো অভিভাৱকৰ সৈতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ অগ্ৰগতি সম্বন্ধে আলোচনা কৰিবলৈ সাক্ষাৎ কৰে। | |
| মোৰ বিদ্যালয়ত এখন সত্ৰি য় অভিভাৱক-শিক্ষক সমিতি, বা মঞ্চ আছে আৰু এই সমিতিখনে বিদ্যালয়ৰ বছৰৰ চান্দা একত্ৰিত কৰালৈকে সকলোধৰণৰ কাম কৰে। এই কামৰ কোনো সীমা নাই। | |
| মাক-দেউতাক ন্নঅভিভাৱকসকলক বিদ্যালয়ত স্বাগতম জনোৱা হয় আৰু তেওঁলোকে এটা সুবিধাজনক ঠাইত বহি বিষয় শিক্ষকৰ সৈতে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ অগ্ৰগতিৰ বিষয়ে সহজে সুধিব পৰাৰ সুবিধা আছে বা তেওঁলোকে তেওঁলোকৰ মনৰ উদ্বিগ্নতা বিষয় শিক্ষকৰ আগত প্ৰকাশ কৰিব পাৰে। | |
| বিদ্যালয়ে অতি সোনকালে (তিনিদিনৰ ভিতৰতে) মাক-দেউতাকসকলক তেওঁলোকৰ অভিযোগবোৰৰ মীমাংসা কৰি দিয়ে। | |
| যিসকল বৰ্তমান মাক-দেউতাক আছে, তেওঁলোক মোৰ বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য। | |
| বিদ্যালয়ত মাক-দেউতাকন্নঅভিভাৱকসকলৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীক ঘৰত পঢ়া-শুনাত কেনেকৈ সহায় কৰিব লাগে, তাৰ কিছুমান কাৰ্যত্ৰ ম আছে। | |
| মাজে সময়ে মাক-দেউতাকন্ন অভিভাৱকসকল শ্ৰেণীকোঠালৈ আহি তেওঁলোকৰ জ্ঞান আৰু দক্ষতাসমূহ আলোচনা কৰি ছাত্ৰ-ছাত্ৰীৰ শিকনত অৰিহণা যোগায়। | |
| মাক-দেউতাকন্ন অভিভাৱকসকলৰ হাতত বিদ্যালয়ত অনুষ্ঠিত হোৱা শৈক্ষিক, সামাজিক আৰু ত্ৰীড়া সমন্ধীয় কাৰ্যত্ৰ মসমূহৰ বাবে কিছুমান উল্লেখযোগ্য তাৰিখ থকা এখন কেলেণ্ডাৰ | |

| | |
|---|---|
| (calendar) আছে। | |
| এক শ্ৰেণীৰ মাক-দেউতাকত্ৰ অভিভাৱকে বিদ্যালয়ৰ কিছুমান কাৰ্যত্ৰ ম যেনে বিশেষ সভা বোৰত উপস্থিত থাকে। | |
| বিদ্যালয়ে মাক-দেউতাকত্ৰ অভিভাৱকসকলৰ মাজত থকা কিছুমান বৈষম্যা (সাক্ষৰতা, ভাষা, পূৰ্বশিক্ষা, প্ৰাচুৰ্য্য আদি চিনি পায় আৰু তেওঁলোক সকলোকে বিদ্যালয়ৰ হিতাকাংক্ষী (stakeholder) হিচাপে অন্তৰ্ভুক্ত কৰি কাম কৰি যাবলৈ বিদ্যালয় সংকল্পবদ্ধ। | |
| মুঠ- | |

আপুনি লিখি উলিওৱা তালিকাখন এইবাৰ সাৱধানেৰে চাওঁক -

- আপুনি সহজে কৰিব পৰা আৰু কিবা কাৰ্য আছে নেকি?
- কোনবোৰ কাৰ্যত আপোনাৰ বাবে অধিক পৰিবৰ্তন জড়িত হৈ আছে?
- কোনবোৰ কাৰ্যত মাক-দেউতাক বেছি পৰিমাণে জড়িত হৈ থাকে?
- কোনবোৰ কাৰ্যই আপোনাৰ বিদ্যালয়ৰ লক্ষ্যপ্ৰাপ্তিত আৰু উন্নয়ন পৰিকল্পনাত অৰিহণা যোগাব পাৰে?

আপুনি ভবা কথাবোৰ আপোনাৰ শিকন দিনলিপিত টুকি ৰাখক। এই গোটটোৰ শেষত আপুনি এই নিৰীক্ষা (audit) পুনৰ চাবলৈ সুযোগ পাব আৰু পিছৰ ম্যাদৰ বাবে এটা পৰিকল্পনা কৰিব পাৰিব।



**চিত্ৰ- 5** ছাত্ৰ-ছাত্ৰীৰ গুৰুত্বপূৰ্ণ কাৰ্যত অভিভাৱকসকলক জড়িত কৰা

মাক-দেউতাক / অভিভাৱকসকলক তেওঁলোকৰ ল'ৰা-ছোৱালীৰ বিদ্যালয়ত জড়িত কৰাব বাবে এইবোৰ উপায় সৰ্বাত্মক নহয়। গতিকে এই উপায়বোৰ উন্নতি কৰিবলৈ নিৰীক্ষা(audit) ই আপোনাক কিছুমান ধাৰণা প্ৰদান কৰিব। আপুনি পোৱা নম্বৰবোৰ মুঠ কৰিলে, তেন্তে আপুনি এটা নম্বৰৰ শতাংশ পাব যিয়ে আপোনাক আপোনাৰ বিদ্যালয়ত অভিভাৱকসকলক কিমান দূৰলৈকে নিযুক্ত কৰি ৰাখিব পাৰিছে তাৰ ইংগিত দিব।

এই নিৰীক্ষা(audit) ই আপোনাক অভিভাৱকসকলক বিদ্যালয়ত নিযুক্ত কৰি ৰাখিবলৈ আন উপায় কিছুমান ভাবিবলৈ দিব পাৰে। অভিভাৱকসকলক অধিক পৰিমাণে নিযুক্ত কৰি ৰাখিবলৈ যদি আপোনাৰ আৰু কিবা ধাৰণা আছে তেন্তে আপোনাৰ শিকন দিনলিপিত এই বিষয়ে এটা টোকা লিখক। কাৰ্য 7 ত আপুনি এই নিৰীক্ষা পুনৰ চাবলৈ সুযোগ পাব আৰু পিছৰ ম্যাদৰ বাবে এটা পৰিকল্পনা কৰক।

যেতিয়া মাক-দেউতাকত্ৰঅভিভাৱকসকলক বিদ্যালয়ৰ সফলতাত অংশীদাৰ (stakeholder) হিচাবে নিযুক্ত কৰা হয়, তেওঁলোকে এই সমস্যাবোৰ সমাধান কৰোঁতে আৰু অসুবিধাবোৰ সম্বোধন কৰোঁতে সহায় কৰিব পাৰে। তেওঁলোকৰ লগত কথাপাতি তেওঁলোকৰ

দৃষ্টিভংগীৰ পৰা আপুনি এই দিশসমূহ বুজিব পাৰে আৰু আপুনি ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতি, শিকন আৰু কাৰ্যক্ষমতাৰ ওপৰত থকা ক্ষতিকাৰক প্ৰভাৱ বিলাকৰ মুখামুখি হ'বলৈ আন কিছুমান উপায় উলিয়াব পাৰে।

## বিষয় অধ্যায়ন 3 : শ্ৰীমান ভবেন বৰাই অষ্টম শ্ৰেণীৰ পিছত বিদ্যালয় এৰি যোৱা ছাত্ৰ-ছাত্ৰীসকলৰ তদন্ত কৰছে Case study 3: Mr Bharti investigates the dropout of students after Class VIII

শ্ৰীযুত ভবেন বৰাই এখন মাধ্যমিক বিদ্যালয়ত পাঁচ বছৰ ধৰি নেতৃত্ব বহন কৰি আহিছে। তেওঁ চাৰিজনী ছোৱালীৰ এজন গৰ্বিত পিতা। কিন্তু তেওঁৰ বিদ্যালয়ত বিদ্যালয় এৰি যোৱা ছাত্ৰীসকলৰ সংখ্যাই তেওঁক ত্ৰ মান্বয়ে চিন্তিত কৰি তুলিছে, কাৰণ তেওঁ দেখা পাইছিল যে, তেওঁলোকৰ শিক্ষাত সম্ভৱ তেওঁৰ উদ্যমে প্ৰভাৱ পেলাব পৰা নাছিল। বছৰৰ পিছত বছৰ, যেতিয়া ধাৰাবাহিকভাৱে ছাত্ৰীসকলে ছাত্ৰসকলতকৈ বহুত ভাল ফল দেখুৱাই আছিল, তেওঁ লক্ষ্য কৰিছিল যে, দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত মাত্ৰ 20 শতাংশহে সফল হৈছিল।

শ্ৰীযুত ভবেন বৰা এজন ইংৰাজী বিষয়ৰ শিক্ষক আছিল আৰু তেওঁ গণিতত ইমান সুনিশ্চিত নাছিল। সেয়ে তেওঁ গণিত বিষয়ৰ শিক্ষকজনক পদ্ধতিগতভাৱে তথ্যবোৰ চাই সহায় কৰি দিবলৈ ক'লে। তেওঁ গণিতৰ বিষয় শিক্ষকজনক ছাত্ৰীসকলৰ তালিকাৰ পৰা দুবছৰৰ আগতে অষ্টম শ্ৰেণীত বিদ্যালয় এৰি যোৱা ছাত্ৰীসকলৰ তালিকাখন চাবলৈ কৈ সেই সময়ত গণিতত তেওঁলোকৰ পাৰদৰ্শিতাৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোক এতিয়া বিদ্যালয়ত থকা হ'লে কিমান পাৰদৰ্শিতা দেখুৱালেহেঁতেন অনুমান কৰিবলৈ ক'লে। যেতিয়া তেওঁ নামবোৰ পৰীক্ষা কৰি চালে আৰু তেওঁলোকৰ শিক্ষকৰ লগত কথা পাতিলে তেওঁ গম পালে যে 10জনী বিদ্যালয় এৰি যোৱা ছাত্ৰীৰ ভিতৰত, 4 জনী ছাত্ৰীয়ে বছৰেকীয়া পৰীক্ষাত গণিতত প্ৰথম দহজন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত স্থান পাইছিল মাত্ৰ দুজনী ছাত্ৰীহে গড় (Average)ৰ তলত আছিল।

একে সময়তে, শ্ৰীযুত ভবেন বৰাই নিজে তালিকাখন চাইছিল আৰু লক্ষ্য কৰিছিল যে, এৰি যোৱা 10 জনী ছাত্ৰীৰ ভিতৰত 4 জনী ছাত্ৰী একেখন গাঁৱৰ পৰা আহিছিল। তেওঁ সিদ্ধান্ত লৈছিল যে, এই সমস্যাটো এই ছাত্ৰ-ছাত্ৰীসকলৰ মাক-দেউতাকত্ৰঅভিভাৱক নিযুক্ত নকৰাকৈ সমাধান কৰিব নোৱাৰি। সেয়ে তেওঁ দৃঢ়তাৰে এই সমস্যাটো কিয় ঘটিছে তাক বিচাৰি উলিয়াবলৈ আৰু এই পক্ষপাতটো নোহোৱা কৰিবলৈ যত্ন কৰিছিল। বৰাই তেওঁৰ বিদ্যালয়ত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীৰ শিকনত গম্ভীৰভাৱে প্ৰভাৱ পেলোৱা এটা প্ৰৱণতাক চিনাক্ত কৰিবলৈ কিছুমান তথ্য সংগ্ৰহ কৰিবলৈ সমৰ্থ হৈছিল। এই ছাত্ৰ-ছাত্ৰীসকলৰ মাক-দেউতাত্ৰ অভিভাৱকৰ পৰা আৰু জানি লৈ তেওঁ এই সমস্যাবিলাক সমাধান কৰিছিল।

## ত্ৰি য়া-কলাপ 8: বিদ্যালয় এৰি যোৱা ছাত্ৰ-ছাত্ৰীৰ হাৰ তদন্ত Activity 8:Investigating student drop-out rates

শ্ৰীযুত ভবেন বৰাই মুখামুখি হোৱা অসুবিধাবোৰৰ বিষয়ে আৰু প্ৰভাৱিত ছাত্ৰীসকলৰ কাৰণে ভাল ফল আনিবলৈ কেনেকৈ তেওঁ এটা পদ্ধতি ল'ব পাৰে সেই বিষয়ে আপোনাৰ শিকন ডায়েৰীত কিছুমান টোকা লিখক।

### আলোচনা Discussion)

বিদ্যালয়ৰ এজন নেতা হিচাবে, আপোনাৰ বাবে পাহৰি যোৱাটো সহজ যে, আপোনাৰ কাম কেৱল শিক্ষকে ভালকৈ শিকাইছে নে নাই, ছাত্ৰ-ছাত্ৰীয়ে শিকিছে নে নাই আৰু প্ৰশাসন ভালকৈ চলিছে নে নাই আদি সম্বন্ধীয় সমস্যাৰ সমাধান বিচৰাটোৱে নহয়। শ্ৰীমান বৰাই যি কৰিছিল, সেয়া সঁচাকৈ উল্লেখনীয় আছিল। কাৰণ তেওঁ এটা বুনিয়াদী সমস্যা— 'ছাত্ৰীসকলে বিদ্যালয় এৰা'ৰ ওপৰত সম্বোধিত কৰিছিল। তেওঁ সাৰ্বজনিক ক্ষেত্ৰত থকা তথ্য ব্যৱহাৰ কৰি এটা গুৰুত্বপূৰ্ণ প্ৰ.ণ 'যদি দশম শ্ৰেণীত ছাত্ৰীসকলৰ কাৰ্যক্ষমতা খুবেই ভাল হয়, তেন্তে অষ্টম শ্ৰেণীৰ পিছত ছাত্ৰীসকলক বিদ্যালয়ত ধৰি ৰাখি ইয়াতকৈ আৰু অধিক ভাল কৰিবলৈ হ'লে আমি আৰু কি কৰাৰ

প্ৰয়োজন?’ ৰ উত্তৰ উলিয়াবলৈ যত্ন কৰিছিল। এই প্ৰ নটোৱে তেওঁৰ শিক্ষকসকলক নামভৰ্ত্তিকৰণ আৰু কাৰ্যক্ষমতা উন্নতি কৰাৰ পথ বিচাৰি উলিওৱাত কেন্দ্ৰীভূত কৰিবলৈ সহায় কৰিব। তেওঁৰ কৰ্মচাৰীসকলে অভিভাৱকসকলক লগ ধৰি, তেওঁলোকৰ অসুবিধাবিলাকৰ বিষয়ে কথা পাতি তেওঁলোকৰ ছোৱালীক বিদ্যালয়ত ৰাখিবলৈ সমাধান বিচাৰি চেষ্টা কৰাত সহায় কৰিবলৈ সিদ্ধান্ত লৈছিল। তেওঁ আৰু তেওঁৰ শিক্ষকৰ দলটোৱে বিদ্যালয়ৰ বাহিৰত অভিভাৱকসকলৰ সৈতে বিদ্যালয়ৰ অংশীদাৰ (stakeholder) হিচাবে তেওঁলোকৰ ল’ৰা-ছোৱালীৰ শিক্ষাগত কৃতকাৰ্যতাৰ সমাধান উলিয়াবলৈ সিদ্ধান্ত লৈছিল।

তলত দিয়া কাৰণসমূহৰ বাবে অভিভাৱকসকলৰ সৈতে কথা বতৰা পাতোঁতে কিছুমান কথা চকুত ৰিছিল, যেনে—

- শাস্তি দিব বুলি আশংকা
- তেওঁলোকেৰ বি াসৰ প্ৰত্যাহ্বান কৰা বুলি অনুভৱ
- অৰ্থনৈতিকভাৱে, তেওঁলোকৰ ভাৱনাৰ কোনো বিকল্প নাই।

কিন্তু ইয়াত বহুত কিছুমান ব্যৱহাৰিক কথা উন্মোচিত হৈ আছে যেনে— বিদ্যালয়লৈ নিৰাপদে অহা-যোৱা কৰোঁতে সমস্যা হ’ব পাৰে। যিয়েই নহওক, বিদ্যালয়ৰ এজন নেতা হিচাবে তেওঁ তেওঁলোকৰ জীয়ৰীসকলৰ শিক্ষাৰ ক্ষেত্ৰত ইমানেই আগ্ৰহী যে, তেওঁ বিদ্যালয় এৰি যাব খোজা সম্ভাব্য ছাত্ৰীসকলৰ ঘৰলৈ গৈ তেওঁলোকৰ মাক-দেউতাকক লগ কৰি তেওঁলোকৰ ছোৱালীক বিদ্যালয়ত ৰাখিবলৈ অভিৰোচিত কৰিছিল। বৰাই সিদ্ধান্ত লৈছিল যে ভৱিষ্যতে প্ৰতিটো ম্যাদত তেওঁ অষ্টম শ্ৰেণীৰ ছাত্ৰীসকলৰ ঘৰলৈ গৈ তেওঁলোকক অবিৰতভাৱে বিদ্যালয়ত উপস্থিতি থাকিবলৈ সাহস যোগাব।

বিদ্যালয়ৰ কৃতকাৰ্যতাত সহায় কৰিবলৈ যদি আপুনি আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাক-দেউতাকত্ৰ অভিভাৱকসকলক আপোনাৰ লগত ঘনিষ্ঠভাৱে কাম কৰাটো বিচাৰিছে, তেন্তে আপুনি তেওঁলোকৰ সৈতে নিয়মিতভাৱে যোগাযোগ ৰখাটো আৱশ্যক আৰু তেওঁলোককো আপোনাৰ সৈতে যোগাযোগ ৰাখিবলৈ সুবিধা প্ৰদান কৰক। এইবোৰ আপুনি বিদ্যালয়ৰ অনুষ্ঠিত সভাত, অনানুষ্ঠনিকভাৱে বিদ্যালয়ৰ গেটৰ সন্মুখত বা ব্যক্তি গতভাৱে কিছুমান বিশেষ ধৰণৰ ছাত্ৰ-ছাত্ৰীক লগ ধৰি কৰিব পাৰে।

এইধৰণৰ যত্ত যোগাযোগৰ সুবিধাবোৰ এবাৰ পোৱাৰ পিছত, আপুনি তলত দিয়া বিষয় অধ্যয়নত শ্ৰীমতী চন্দ্ৰাণী কাকতিয়ে কৰাৰ দৰে তেওঁলোকৰ সৈতে বিভিন্ন দিশ আলোচনা কৰি, তেওঁলোকৰ পৰা সেই দিশসমূহ সমাধান কৰাৰ সহায় বিচাৰিব পাৰে।

## বিষয় অধ্যয়ন 4: বিষয় অধ্যয়ন ঃ শ্ৰীমতী চন্দ্ৰাণী কাকতিৰ নিৰাপত্তাৰ সমাধান

## Case study 4 : Mrs Chandrima Kakotie’s security solution

শ্ৰীমতী চন্দ্ৰাণী কাকতিৰ বিদ্যালয়খনত কিছু দিনৰ পৰা মেৰামতি বা ৰক্ষণাবেক্ষণ কৰা হোৱা নাছিল। অলপতে বিদ্যালয়ৰ চাৰিওফালৰ সীমা ভাঙি গোটেই বিদ্যালয়খনকে নিৰাপত্তাহীন কৰি পেলালে। বিদ্যালয়খন একেবাৰে এটা দুখীয়া অঞ্চলত আছিল। তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাক-দেউতাকত্ৰঅভিভাৱকসকলে তেওঁক সহায়, সমৰ্থন আগবঢ়োৱা বাবে তেওঁ বৰ ভাল পাইছিল আৰু ছাত্ৰ-ছাত্ৰীসকল নিয়মিতভাৱে আৰু স্ব-ইচ্ছাৰে বিদ্যালয়লৈ আহিছিল। অভিভাৱকসকলৰ এখন সভাত তেওঁ বিদ্যালয়ৰ চাৰিওসীমাৰ বেৰাখনৰ সমস্যাৰ কথা উল্লেখ কৰাত দুজন ভাই ককায়ে (যাৰ ল’ৰা-ছোৱালীক সেই বিদ্যালয়তে নামভৰ্ত্তি কৰাইছে) আগবাঢ়ি আহি বেৰাখন মেৰামতি কৰিবলৈ দায়িত্ব লোৱা বাবে তেওঁ বৰ আনন্দ পাইছিল। তেওঁলোকে কেইজনমান ডাঙৰ ছাত্ৰকো তেওঁলোকক সহায় কৰিবলৈ পৰামৰ্শ দিছিল। যেতিয়া এইবোৰ ঠিক কৰা হ’ল আৰু সামগ্ৰীৰ বাবে টকা-পইচা তোলা হ’ল, সেই ভাই-ককাই দুজনে আন কেইবাজনো ছাত্ৰ-ছাত্ৰীৰ দেউতাক আৰু খুৰাকৰ লগ লাগি ৰাতি বিদ্যালয়ত পাল পাতি পহৰা দিবলৈ ঠিক কৰিলে।

শ্ৰীমতী চন্দ্ৰাণী কাকতি বিদ্যালয়খনলৈ অহাৰে পৰা ছাত্ৰ-ছাত্ৰীৰ অভিভাৱকসকলৰ সৈতে এটা সুন্দৰ সময় পাৰ কৰিছিল। তেওঁ অভিভাৱকসকলক অনুভৱ কৰাবলৈ উৎসাহিত কৰিছিল যে বিদ্যালয়খন তেওঁলোকৰে আৰু তেওঁলোকৰ ল’ৰা-ছোৱালীৰ সফলতা বেছি পৰিমাণে তেওঁলোকৰ ওপৰতে নিৰ্ভৰ কৰে। তেওঁ ব্যাপকভাৱে সকলো মাক-দেউতাকত্ৰঅভিভাৱকৰ মাজত বিদ্যালয়ত এই গৰ্ব কৰিছিল উৎসাহিত কৰিছিল। তেওঁ অনুভৱ কৰিছিল যে সহায় কৰাৰ কাৰণে এই ধৰণৰ প্ৰস্তাৱ পাৰস্পৰিক সন্মানৰ এটা প্ৰত্যক্ষ ফল যিটো তেওঁ তেওঁৰ ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱকৰ লগত আদান-প্ৰদান কৰিছিল।

## ক্ৰি য়া-কলাপ 9: মাক-দেউতাক / অভিভাৱকক নিযুক্তি কৰিবলৈ এটা যোজনা/ পৰিকল্পনা কৰক Activity 9: Make a plan for engaging with parents

কাৰ্য 7 ত আপুনি যি নিৰীক্ষা (audit) কৰিছিল তাৰে এবাৰ উভতি যাওক আৰু মাক-দেউতাকত্রঅভিভাৱক বিদ্যালয়ৰ কামত সোমোৱাবলৈ হ'লে আপুনি ক'ত প্রগতি কৰিব লাগিব চিনাক্ত কৰক। (যদি আপোনাৰ লগত এজন সহ নেতৃত্ব লোৱা লোক আছে, তেন্তে তেওঁক লৈ) আপুনি আপোনাৰ শিকন দিনলিপিত পিছৰ ম্যাদৰ বাবে আৰু পিছত দীঘলীয়া ম্যাদৰ বাবে এটা যোজনা বনাওক।

## আলোচনা **Discussion)**

মাক-দেউতাকক আপোনাৰ বিদ্যালয়ত জড়িত কৰাবলৈ আপুনি ইতিমধ্যে কেইবাটাও কাম কৰিছে, কিন্তু আপুনি আগভাগ ল'ব পৰা সম্ভৱত আৰু কাম আছে, যেনে-

- গৃহকাৰ্যৰ নীতিৰ বিষয়ে এটা আলোচনা অনুষ্ঠিত কৰা।
- ছাত্র-ছাত্রীসকলক তেওঁলোকৰ মাক-দেউতাকৰ মতামত আৰু দৃষ্টভংগীৰ বিষয়ে এটা জৰীপ সঞ্চালন (conduct) কৰিবলৈ ক'ব পাৰে
- ঘৰলৈ সাফল্য পোষ্টকাৰ্ড পঠিয়াব পাৰে
- বিশেষ বিশেষ শিক্ষকসকলৰ সৈতে মাক-দেউতাকসকলৰ বিদ্যালয় চুটিৰ পিছত মাহত এবাৰকৈ মুকলিকৈ আলোচনা অনুষ্ঠিত কৰিব পাৰে

আপুনি তৎক্ষণাতে সকলোবোৰ কৰাৰ প্ৰয়োজন নাই, কিন্তু এবাৰ যদি আপুনি মাক-দেউতাকৰ সৈতে কথা-বতৰা পাতিবলৈ আৰম্ভ কৰে, বহুতে আপোনাক অনুসৰণ কৰিব আৰু এইধৰণৰ যুগ্ম প্ৰচেষ্টাৰ পৰা আপোনাৰ ছাত্র-ছাত্রীসকলে প্ৰত্যক্ষভাৱে লাভ হোৱাটো অনুভৱ কৰিব।

মাক-দেউতাকৰ সৈতে একেলগে আপোনাৰ বিদ্যালয়ত কাম কৰিলে তেওঁলোকৰ ক্ষমতা গঢ়ি উঠিব যাতে তেওঁলোক সজাগ হয় আৰু জ্ঞাত হয়, আৰু তেওঁলোকে আৰু অধিকভাৱে সম্পূৰ্ণকৈ বিদ্যালয়ৰ লক্ষ্য আৰু উদ্দেশ্যত অৰিহণা যোগাব পাৰে। মাক-দেউতাকক বিদ্যালয় পৰিচালনা সমিতি বা মাক-দেউতাক-শিক্ষক সমিতি (parent-teacher associations) বোৰত প্ৰভাৱী প্ৰতিনিধি হিচাবেও অন্তৰ্ভুক্ত কৰি আপুনি এইবোৰ কৰিব পাৰে। মাক-দেউতাকৰ বাবে তেওঁলোকৰ ল'ৰা-ছোৱালীক লক্ষ্য কৰাতকৈ যে গোটেই বিদ্যালয়ৰ ওপৰত তেওঁলোকে কেন্দ্ৰীভুত কৰাটো কঠিন হ'ব, কিন্তু তেওঁলোকে যেতিয়া মাক-দেউতাক হিচাবে প্ৰতিনিধিত্ব কৰে, তেতিয়া তেওঁলোকে বুজাৰ প্ৰয়োজন যে তেওঁলোকে কেৱল তেওঁলোকৰ নিজৰ কাৰণে নহয়, আমাৰ কাৰণেও চিন্তা কৰিব লাগিব।

## ত্রি য়া-কলাপ 10 ঃ মাক-দেউতাকক প্ৰতিনিধি সক্ষম কৰক Activity 10: Enabling parents to be representatives

মাক-দেউতাকক আপুনি বিদ্যালয়ত ভূমিকা ল'বলৈ সত্রি য় কৰি তুলি কেনেকৈ তেওঁলোকে স্থানীয় সম্প্ৰদায়ৰ মাক-দেউতাকৰ সৈতে মত-বিনিময় কৰিব পাৰে, সেই বিষয়ে আপুনি আপোনাৰ শিকন দিনলিপিত কিছু টোকা প্ৰস্তুত কৰক। স্থানীয় সম্প্ৰদায়ে গ্ৰহণ কৰিব পৰা আৰু নেতা হিচাবে চাব পৰা আপোনাৰ বিদ্যালয়ৰ কিছুসংখ্যক অভিভাৱকৰ বিষয়ে ভাবকচোন; তেনে কৰিলে স্বাভাৱিকতে তেওঁলোকে এই ভূমিকা পালন কৰিব পাৰিব আৰু ভাল কৰিবও পাৰিব। আন মাক-দেউতাকত্রঅভিভাৱকৰ মতামতৰ প্ৰতিনিধিত্ব নকৰা, বাহিৰত কথা ক'ব পৰা আন কিছুমান মাক-দেউতাক আছে নেকি? এটা অভিভাৱক প্ৰতিনিধিক দিব পৰা 6 টা নিৰ্দেশিকা প্ৰস্তুত কৰক।

## আলোচনা **Discussion)**

মাক-দেউতাক বা অভিভাৱকসকলক কৰিবলৈ দিব নোখোজা কিছুমান কাম (যেনে, শিক্ষকৰ বিষয়ে ব্যক্তি গতভাৱে মন্তব্য)ৰ বিষয়ে বা কিছুমান নিৰ্দেশিকা যেনে- গোপনীয়তা পৰ্যবেক্ষণ বা বিদ্যালয়ৰ জীৱন সম্বন্ধে এটা সমগ্ৰ দৃষ্টিকোণৰ বিষয়ে আপুনি নিশ্চয় ভাবিছে। এগৰাকী ব্যস্ত মাক বা দেউতাক যিয়ে আন মাক বা দেউতাকৰ সৈতে ছাত্র-ছাত্রীৰ শিকনৰ বিষয়ে কথা পাতিব পাৰে, সেইগৰাকী মাক বা দেউতাক নিঃসন্দেহে আপোনাৰ বিদ্যালয়খন আগবঢ়াই লৈ যোৱাত আপোনাৰ কাৰণে এটা প্ৰকৃত সম্পদ। তেওঁলোকে মাত্ৰ এজন মাক বা দেউতাকৰ পৰা আন এজন মাক-দেউতাকলৈ খবৰবোৰ নিবিয়পায়, কিন্তু তেওঁলোকে সেইসকলৰ পৰা পোৱা পৰামৰ্শবোৰ বিদ্যালয়লৈ কঢ়িয়াই আনে। তেওঁলোক আন মাক বা দেউতাকসকলক সমস্যাবোৰ চিনাক্ত কৰাত আৰু তাৰ সমাধান বিচাৰি উলিওৱাত সহজ কৰি তোলে। সকলো মাক বা দেউতাকৰ যে এই দক্ষতা থাকিব লাগে এইটো জৰুৰী নহয় আৰু এই ভূমিকা পালন কৰিবলৈ যিসকল লোক আগবাঢ়ি আছে, সেইসকল যে উপযুক্ত সেইটোও জৰুৰী নহয়। বিদ্যালয়ৰ নেতৃত্ব বহন কৰা হিচাপে আপুনি সৰহসংখ্যক মাক বা দেউতাকক প্ৰতিনিধিৰ ভূমিকা গ্ৰহণ কৰিবলৈ সত্রি য় কৰাৰ লগতে তেওঁলোকৰ মাজত দক্ষতা আৰু বি ধাস বিকাশ কৰাত তেওঁলোকলৈ সহায়-সমৰ্থন আগবঢ়োৱাটো প্ৰয়োজন।

| |
|---|
| আপোনাৰ বিদ্যালয়ত তেওঁলোকক জড়িত কৰিব বিচৰা আৰু কিবা বেলেগ কাম (বা, অতি গুৰুত্বপূৰ্ণভাৱে, বিদ্যালয় উন্নয়ন যোজনা) আছে নেকি? |

আপুনি মাক-দেউতাকসকলক সংগঠিত কৰা কাম কৰিব পাৰে যাতে তেওঁলোকে আনুষ্ঠানিকভাৱে ইজনে সিজনক সহায় কৰিব পাৰে। যদি তেওঁলোক বিদ্যালয়লৈ আহিবলৈ বা এজন শিক্ষকক লগ পাবলৈ ভয় কৰে হয় বা তেওঁলোক উদ্বিগ্ন হয়, তেন্তে আপুনি আন মাক-দেউতাকক বা অভিভাৱকসকলক 'মধ্যস্থতাকাৰী' বা 'বন্ধু' হিচাবে কাম কৰিবলৈও উৎসাহিত কৰিব পাৰে।

## বিষয় অধ্যয়ন 5: বিষয় অধ্যয়ন ঃ শ্ৰীযুত বাবুল চৌধুৰীয়ে চৌধুৰীয়ে মাক-দেউতাকৰ বন্ধুসুলভ হোৱা এটা যোজনা প্ৰতিষ্ঠা কৰিছে Case study 5 : Mr Chowdhary sets up a parents' friend scheme

শ্ৰীযুত বাবুল চৌধুৰীয়ে অলপতে এখন গাঁৱৰ বিদ্যালয়ত নেতৃত্বৰ ভাৰ গ্ৰহণ কৰিছে। তাত মাক-দেউতাক বিদ্যালয়লৈ অহা বা বিদ্যালয়ে মাক-দেউতাকক যোগাযোগ কৰাৰ পৰম্পৰা নাই। তেওঁ দেখিলে যে, ছাত্ৰ-ছাত্ৰীৰ শিকনত ই এটা ডাঙৰ অন্তৰায় হৈ আছে। তেওঁ আৰু তেওঁৰ সহকৰ্মীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰুৱা জীৱনৰ কথা যে একেবাৰে কমকৈ জানে ই তাকেই বুজায়।

তেওঁ মাক-দেউতাকৰ কাৰণে মাক-দেউতাকৰ হতুৱাই এটা যোজনা প্ৰতিষ্ঠা কৰিবলৈ মনস্থ কৰিলে। তেওঁ আশা কৰিছিল যে ইয়াৰ দ্বাৰা এই অন্তৰায় নোহোৱা কৰিব পাৰিব আৰু মাক-দেউতাক সকলক তেওঁলোকৰ চিন্তা জটাবলৈ এটা সুযোগ দিব।

তেওঁ স্থানীয় সমুদায়ৰ নেতাসকল আৰু তেওঁৰ শিক্ষকসকলৰ লগত কথা পাতিলে। তেওঁলোকে সিদ্ধান্ত লৈছিল যে যদি 'মাক-দেউতাক বন্ধু'বোৰ যদি মাইকী মানুহ হয়, তেন্তে ই বৰ উপযোগী হ'ব। তেওঁলোকে আৰম্ভণীতে আন আন মাকসকলৰ সৈতে গতানুগতিকভাৱে মত বিনিময় কৰি আৰু সভা পাতি এটা নেটৱৰ্কত কাম কৰিছিল। শ্ৰীমান চৌধুৰীয়ে তেওঁৰ কেইজনমান ছাত্ৰ-ছাত্ৰীৰ হতুৱাই মাকসকলক বিদ্যালয়লৈ নিমন্ত্ৰণ কৰি তেওঁলোকৰ বাবে এটা তাৰিখত এখন সভা আলোচনা পাতি সেই সভাত তেওঁলোকৰ ভূমিকা সম্বন্ধ কৰিবলৈ ঠিৰাং কৰিলে। সভালৈ মাত্ৰ তিনিগৰাকী মাকহে আহিল, কিন্তু শ্ৰীমান চৌধুৰীয়ে উল্লেখ কৰাৰ দৰে তেওঁলোক সকলোৱে তেওঁলোকৰ ভূমিকা গ্ৰহণ কৰিবলৈ ইচ্ছুক আছিল আৰু যেতিয়া তেওঁ ইয়াৰ বাবে তেওঁলোকক এটা হ্ৰস্বম্যাদী প্ৰশিক্ষণ কাৰ্যত্ৰ ম, প্ৰমাণপত্ৰ আৰু আনকি তেওঁলোকক পিন্ধিবলৈ বেজ দিয়াৰ কথা ক'লে, তেওঁলোক বৰ আনন্দিত হৈছিল।

এই যোজনাটো এক বছৰ চলাৰ পিছত, পুৰুষ মানুহ সকলকো এই যোজনাত অন্তৰ্ভুক্ত কৰা হ'ব বুলি পৰামৰ্শ লোৱা হ'ল আৰু শ্ৰীমান চৌধুৰীয়ে দেউতাকসকলৰ পৰা স্বেচ্ছাসেৱকসকলক নিয়োগ কৰিবলৈ ঠিক কৰিলে।

বিদ্যালয়ৰ নেতৃত্ব লোৱা এজন লোক হিচাবে, আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে আপোনাৰ এটা ভাল সম্বন্ধ গঢ় লৈ উঠিব পাৰে বা বিদ্যালয়ত কি হৈছে সেই বিষয়ে আলোচনা কৰিবলৈ ইতিমধ্যে তেওঁলোকৰ এটা মঞ্চ থাকিবও পাৰে। কিন্তু বিদ্যালয়ৰ নেতৃত্ব লোৱা এজন লোক হিচাবে, এইধৰণৰ যোগাযোগবোৰ উন্নীত কৰিবলৈ আৰু অবিৰতভাৱে সমৰ্থন পাবলৈ আপুনি কৰিবলগীয়া আৰু বহুত কাম থাকিব পাৰে। আপুনি এই ধৰণৰ কাৰ্যক আপোনাৰ কৰ্তৃত্বত এটা ধমকী বুলি নল'ব বা আপোনাক কৰা সমালোচনাৰ বাবে চিন্তিতও নহ'ব। নিজৰ ল'ৰা-ছোৱালীয়ে কি শিকিছে তাক চাবলৈ পোৱা ইচ্ছাতকৈ মাক-দেউতাকৰ পৰা পোৱা প্ৰতি পুষ্টি অনেক গুণে বেছি।

## ত্ৰি য়া-কলাপ 11: নিজৰ মাক-দেউতাকক সংগঠিত কৰি আৰু ইজনে সিজনক কৰি সমৰ্থন সহায় কৰক Activity 11 : Helping your parents to organise and support each other

| |
|---|
| যিসকল মাক-দেউতাকে অন্তত বিদ্যালয়লৈ আহিব পাৰে বা আপোনাৰ সৈতে বা শিক্ষকৰ সৈতে কথা পাতিব পাৰে, সেইসকল মাক-দেউতাকৰ কথা ভাবকচোন। তেওঁলোক কিয় বিদ্যালয়ৰ কামত প্ৰবৃত্ত হোৱা নাই আৰু আন মাক-দেউতাকসকলে তেওঁলোকক সত্ৰি য় কৰাত আগ্ৰহী কৰাবলৈ আৰু আৰামদায়ক অনুভৱ কৰাবলৈ কি কৰিব পাৰে? এই বৈসাদৃশ্যৰঅন্তৰায়টো নোহোৱা কৰাত সহায় কৰাৰ কাৰণে আপুনি কাষ চাপিব পৰা কোনোবা আৰু সুনিশ্চিত মাক-দেউতাক আছে নেকি? |

## বিষয় অধ্যয়ন 6 : শ্ৰীমতী ৰুবী শইকীয়াই মাক-দেউতাকসকলক তেওঁলোকৰ নিজৰ সাক্ষৰতাৰ সৈতে সহায় কৰিছে Case-study 6 : Mrs Rawool helps parents

## with their own literacy

শ্ৰীমতী ৰুবী শইকীয়াই কেইবছৰমান আগতে গাঁৱৰ এখন প্ৰাইমাৰী বিদ্যালয়ৰ নেতৃত্ব লৈছিল। তেওঁ নেতৃত্ব গ্ৰহণ কৰাৰ প্ৰথম বছৰত তৃতীয় আৰু চতুৰ্থ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলে গৃহকাৰ্য নকৰাৰ এটা সমস্যা উদ্ভৱ হৈছিল। তেওঁ গাঁৱলৈ ওলাই গৈ মাতৃসকলৰ লগত কথা পাতিলে, গৃহকাৰ্যৰ গুৰুত্বৰ বিষয়ে ব্যাখ্যা কৰি তেওঁলোকৰ ল'ৰা-ছোৱালীবিলাকৰ পঢ়া আৰু লিখাত সুযোগ প্ৰদান কৰিছিল। তেওঁ মাতৃসকলক তেওঁলোকৰ ল'ৰা-ছোৱালীৰ গৃহকাৰ্যত সহায় কৰিবলৈ পৰামৰ্শ দিছিল। কিন্তু মাতৃসকলৰ বহুতেই নিজে পঢ়িব আৰু লিখিব নোৱাৰাৰ বাবে যে তেওঁলোকে তেওঁলোকৰ ল'ৰা-ছোৱালীক সহায় কৰিব নোৱাৰে, সেই কথা তেওঁ উপলব্ধি কৰিছিল।
নিশা নামৰ মাতৃগৰাকীয়ে শ্ৰীমতী ৰুবী শইকীয়াক তেওঁক আৰু আন মাতৃসকলক পঢ়াব পাৰিব নেকি সুধিছিল আৰু লগতে আন মাতৃসকলৰ লগত কথা পাতি তেওঁলোকক উৎসাহিত কৰিবলৈও সন্মত হৈছিল। শ্ৰীমতী শইকীয়াই সপ্তাহত এদিনকৈ বিদ্যালয় চুটি হোৱাৰ পিছত 1 ঘণ্টাৰ এটা সাক্ষৰতাৰ ক্লাচ ল'বলৈ ঠিক ঠাক কৰি লৈছিল। যেতিয়া শ্ৰীমতী ৰুবী শইকীয়াই মাকসকলক পঢ়াই আছিল, তেওঁলোকৰ ল'ৰা-ছোৱালীয়ে বিদ্যালয়ৰ খেল পথাৰত খেলি আছিল। নিশা নামৰ মাতৃগৰাকীয়ে আন মাতৃসকলক ক্লাচ ল'বলৈ উৎসাহিত কৰি বৰ ভাল কাম কৰিছিল আৰু তেওঁৰ স্বামীও বৰ সমৰ্থক আছিল। তেওঁ আন আন দেউতাকসকলক তেওঁলোকৰ স্ত্ৰীসকলক শ্ৰীমতী শইকীয়াই লোৱা ক্লাচটোলৈ পঠাবলৈ কৈছিল। লাহে লাহে মাকসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীক গৃহকাৰ্যত সহায় কৰিবলৈ আত্মবি ধাস লাভ কৰিছিল। নিশা নামৰ মাতৃগৰাকীয়ে তেওঁৰ আশে পাশে পঢ়িবৰ কাৰণে সৰুকৈ পঢ়াৰ ক্লাচ এটা স্থাপন কৰিছিল যাতে মাতৃসকলে পৰস্পৰে পৰস্পৰ সহায় কৰি একেলগে শিকিব পাৰে।

চিন্তন (Pause for thought)

- আপোনাৰ বিদ্যালয়ত এনে কোনো মাক-দেউতাক আছে নেকি যিয়ে একেখন গাঁৱৰ পৰা অহা আৰু একে ভাষা কোৱা আন মাক-দেউতাকসকলক সংযোগ কৰিবলৈ বিশেষভাৱে উপযুক্ত হ'ব?
- আপুনি আৰম্ভণিতে কাৰ কাষ চাপিব আৰু তেওঁলোকে কি কৰিব পাৰে আপুনি কেনেকৈ ব্যাখ্যা কৰিব?

## 5. সাৰাংশ 5Summary

অকলশৰীয়াভাৱে এখন বিদ্যালয়ৰ কোনো অস্তিত্ব নাই। ই কেৱল ইয়াৰ আশে-পাশে থকা স্থানীয় মানুহখিনিকেই সেৱা আগ নবঢ়ায়, কিন্তু এটা বৃহৎ সমুদায়ৰ সৈতে মত-বিনিময় কৰে আৰু নেটৱৰ্কৰ ভিতৰত পৰিচালনা কৰে আৰু ৰাজ্যত জিলা আৰু উপ-জিলা পৰ্যায়ত নিয়মিত ৰূপে কাম কৰে। সহযোগিতামূলক সম্পৰ্ক গঢ়ি তোলাত বিদ্যালয়ৰ নেতৃত্ব লোৱা লোকজন দায়বদ্ধত শ্ৰেণীকোঠাত শিক্ষা আৰু শিকনৰ ওপৰত এটা ইতিবাচক প্ৰভাৱ আনিবৰ কাৰণে সেই অংশীদাৰসকলৰ সৈতে সম্বন্ধ আৰম্ভ কৰে আৰু সম্বন্ধ অক্ষুণ্ণ ৰাখে। যিদৰে এখন বিদ্যালয়ৰ অকলে কোনো অস্তিত্ব নাই বা অকলে এজন ছাত্ৰইও শিকিব নোৱাৰে ঠিক তেনেকৈ ই তেওঁলোকৰ বিদ্যালয়ৰ বাহিৰৰ জীৱনটোক প্ৰভাৱিত কৰে। মাক-দেউতাক আৰু সমুদায়ৰ সৈতে একেলগে অংশীদাৰী হৈ কাম কৰি, ছাত্ৰ-ছাত্ৰীৰ শিকনক আগুৱাই লৈ যোৱাত আৰু অধিক পৰিমাণে অৰ্থপূৰ্ণ কৰি তোলাত সম্ভৱ কৰি তুলিব পাৰি।
বিদ্যালয়ৰ নেতৃত্ব লোৱা লোকজনে সৰ্বাধিক পৰিমাণে স্থানীয় সমল আৰু বিশেষজ্ঞসকলক বিদ্যালয়ৰ বিভিন্ন কামত নিয়োজিত কৰিবলৈ এটা নেটৱৰ্ক আৰু সম্পৰ্ক গঢ়ি তোলাটো আৱশ্যক, আৰু লগতে এই ধৰণৰ যৌথ দায়িত্বৰ পৰা যাতে প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰীৰ শিকনত লাভ হয়, সেই বিষয়ে তেওঁ নিশ্চিত কৰিব লাগে।

# সমলমলবোৰ Resources

## সমল ঃ ৰাজ্যিক পৰ্যায়ৰ প্ৰতিষ্ঠানৰ সৈতে আপোনাৰ প্ৰবৃত্তি Resource 1: Your engagement with state level intuitions

তালিকা R1.1 ৰাজ্যিক পৰ্যায়ৰ প্ৰতিষ্ঠানৰ সৈতে আপোনাৰ প্ৰবৃত্তি

| প্ৰতিষ্ঠানৰ নাম | নিয়মিত দ্বি-পথ যোগাযোগ | নিয়মিত একমুখী যোগাযোগ | মাত্ৰ কাৰণতবশত যোগাযোগ | কোনো যোগাযোগ নাই | কি ধৰণৰ যোগাযোগ | যোগাযোগৰ মূল ব্যক্তিৰ নাম |
|---|---|---|---|---|---|---|
| ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান | | | | | | |
| সৰ্বশিক্ষা অভিযান (অসম) | | | | | | |
| শিক্ষা বিভাগ | | | | | | |
| ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ | | | | | | |
| জিলা শিক্ষা আৰু প্ৰশিক্ষণ অনুষ্ঠান) | | | | | | |
| জিলা সমল কেন্দ্ৰ | | | | | | |
| খণ্ড সমল কেন্দ্ৰ | | | | | | |
| মণ্ডল সমল কেন্দ্ৰ | | | | | | |
| জিলা পঞ্চায়ত | | | | | | |

# সমল ২ ঃ এটা অংশীদাৰিত্বৰ পৰিসৰৰ আৰ্হি Resource 2: Template for scoping a partnership

তালিকা R2.1 এটা অংশীদাৰিত্বৰ পৰিসৰৰ আৰ্হি

| তৎক্ষণাৎ কৰিবলগাপ্ৰশ্নীঘ্ৰে | সঁহাৰি |
|---|---|
| এই অংশীদাৰিত্বৰ লক্ষ্য কি? (দুয়ো পক্ষৰ বাবে) | |
| এই অংশীদাৰিত্বৰ সময়সীমা কি? (হ্ৰস্ব নে দীৰ্ঘ ম্যাদি) | |
| আকাংখিত ফল কি | |
| সেই ফলবোৰ পাবলৈ কি কাৰ্য লোৱা হৈছে? | |
| কি ধৰণৰ সমলৰ প্ৰয়োজন? (মানুহ আৰু বস্তু) | |
| কি বাজেট পাব পাৰে? কিমান বাজেট লাগিব কোনে ঠিক কৰিব? | |
| অংশীদাৰিত্বক কোনে আৰু কেতিয়া পৰ্যবেক্ষণ আৰু মূল্যায়ন কৰিব | |
| কি ভাবে অংশীদাৰ আৰু বিদ্যালয় সম্প্ৰদায়ৰ মাজত যোগাযোগ পৰিচালিত কৰা হ'ব? | |

# Additional resources

- SWOT analysis:http://www.businessballs.com/swotanalysisfreetemplate.htm
- A blog about a school trip:http://www.shishuvan.com/wp/?p=1242
- *School Management for Quality Inclusive Education and Decentralised School Governance*, a Save the Children report:http://eruindia.org/files/school-management-09-04-13.pdf
- Information about the RtE:http://righttoeducation.in/know-your-rte
- *People as Changemakers*, an Oxfam report:http://preview.tinyurl.com/ksvptsp

# References/bibliography

Banerjee, A.V., Banerji, R., Duflo, E., Glennerster, R. and Khemani, S. (2010) 'Pitfalls of participatory programs: evidence from a randomized evaluation in education in India', *American Economic Journal: Economic Policy*, vol. 2, no. 1, pp. 1–30. Available from: http://www.jstor.org/stable/25760049 (accessed 24 December 2014).

Gardner Chadwick, K. (2002) *Improving Schools through Community Engagement: A Practical Guide for Educators*. Thousand Oaks, CA: Corwin Press.

Mehta, R. (2014) 'Kuppam memories' (online), Shishuvan Blog, 24 February. Available from: http://www.shishuvan.com/wp/?p=1242 (accessed 24 December 2014).

National Council of Educational Research and Training (NCERT) (2005) *National Curriculum Framework 2005* (NCF). New Delhi: National Council of Educational Research and Training. Available from: http://www.teindia.nic.in/files/ncf-2005.pdf (accessed 19 December 2014).

The Scottish Government (2005) 'Forms and patterns of parental involvement', Chapter 4 in *Parents' Views on Improving Parental Involvement in Children's Education*. Available from: http://www.scotland.gov.uk/Publications/2005/03/20759/53614 (accessed 24 December 2014).

Sharma, R. and Ramachandran, V. (eds) (2009) *The Elementary Education System in India: Exploring Institutional Structures*. New Delhi: Routledge India.

Sreekanth, Y. (2010) 'Parents involvement in the education of their children: indicators of level of involvement', International Journal about Parents in Education, vol. 5, no. 1, pp. 36–45. Available from: http://www.ernape.net/ejournal/index.php/IJPE/article/viewFile/114/74 (accessed 24 December 2014).

Vellymalay, S.K.N. (2012) 'Bridging school and parents: parental involvement in their child's education', *Journal of Studies in Education*, vol. 2, no. 1, pp. 41–57. Available from: http://www.macrothink.org/journal/index.php/jse/article/download/1170/1061 (accessed 24 December 2014).

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.